সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved


Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ০৭ সংখ্যা, ২ ফাগুন, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 07 Date of Publication- 15 February 2026 Rs. 10.00/-

## গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে





ৰঙিলী বাৰ্ত্তাসেৱা- ৰাইজৰ বাবে মুকলি হ'ল গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰা বহু প্ৰতীক্ষিত দলং। এদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে আনুষ্ঠানিভাৰে মুকলি কৰিলে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু। যোগাযোগৰ ক্ষেত্ৰত সোণত সুৱগা চৰাই গুৱাহাটী-উত্তৰ গুৱাহাটীৰ এই দলঙক বিকাশৰ মহাসেতু বুলি মন্তব্য কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। উল্লেখ্য যে ডিব্ৰুগড়ৰ মৰাণৰ পৰা শনিবাৰে দুপৰীয়া উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰহ্মপুত্ৰৰ বুকুত যোগাযোগৰ ৰূপত শক্তিশালী মাধ্যম হিচাপে থিয় দিয়া এই অত্যাধুনিক দলংখন ৰিম'টকণ্ট্ৰ'লৰ বুটাম টিপি আনুষ্ঠানিকভাবে উদ্বোধন কৰে। মৰাণৰ পৰা গুৱাহাটীৰ বিমান বন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী গৰাকীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপি আৰু অগপৰ কেইবাজনো নেতাই আদৰণি জনায়। বিমানবন্দৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুলৈ আহে আৰু আনুষ্ঠানিকভাৰে সেতুখন উদ্বোধন কৰে ।দিনৰ প্ৰায় ১.১৫ বজাত প্ৰধানমন্ত্ৰীয়ে সেতুখন উদ্বোধন কৰি কিছুসময় অতিবাহিত কৰি অত্যাধুনিক সেতুখন পৰিদৰ্শন কৰি ব্ৰহ্মপুত্ৰ নদীৰ সৌন্দৰ্য উপভোগ কৰে । প্ৰধানমন্ত্ৰীৰ এই পৰিদৰ্শনৰ ( তিনিপৃষ্ঠাত চাওক)

## পুনৰ বিজেপিৰ চৰকাৰ আহিলে ২ লাখ যুৱক-যুৱতীয়ে চাকৰি পাবঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ খানাপাৰাত শনিবাৰে আয়োজন কৰা ৰাজ্যিক বিজেপিৰ বিশাল 'বুথ বিজয় সংকল্প সভা' উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰণডংকা বজায়। খানাপাৰাত সমবেত লক্ষাধিক দলীয় কাৰ্যকৰ্তাৰ পৰা অসমত তৃতীয়বাৰৰ বাবে বিজেপিৰ চৰকাৰ কৰাৰ সংকল্প ল'লে প্ৰধানমন্ত্ৰীয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "এইবাৰ আমি জিকিম, ৰেকৰ্ড কৰি জিকিম। আমি যি বিচাৰিছোঁ প্ৰধানমন্ত্ৰীয়ে আমাক সেয়া দিছে। বিজেপিৰ বিশাল বুথ বিজয় সংকল্প সমাৰোহত দলীয় কাৰ্যকৰ্তাসকলক (দহ পৃষ্ঠাত চাওক)

## খানাপাৰাত বুথ বিজয় সংকল্প সমাৰোহত নিৰ্বাচনৰ ৰণডংকা বজালে প্ৰধানমন্ত্ৰীয়ে




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বিৰোধী শক্তি কংগ্ৰেছ দলক বিভিন্ন বাক্যবাণেৰে তুলাধুনা দি সমাগত অসম বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ বিশাল 'বুথ বিজয় সংকল্প সভা' উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী ৰণডংকা বজায়। এদিনীয়া কাৰ্যসূচীৰে শনিবাৰে অসমত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে খানাপাৰাস্থিত ৰাজ্যিক পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হৈ ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা বুথ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। স্বভাবসুলভ ভংগীৰে পুনৰ অসমীয়াতে ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- সকলোকে নমস্কাৰ জনাইছোঁ, কি খবৰ আপোনালোকৰ ? জয় আই অসম ধ্বনি দি ভাষণ আৰম্ভ কৰা প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণৰ আৰম্ভণিতেবিজেপিৰ কাৰ্যকৰ্তাসকলক কুশল বাৰ্তা সুধি কয়- অসমৰ বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাৰ সাক্ষাৎ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা ।বুথ পৰ্যায়ৰ কাৰ্যকতাসকলেই হৈছে বিজেপিৰ চালিকা শক্তি। ভাৰত মাতাৰ জয় আৰু জনসেৱাক ধৰ্ম বনোৱাৰ বাবে আপোনালোকক ধন্যবাদ জনাইছোঁ । বিজেপি আজি যি পৰ্যায়ত উপনীত হৈছে তাৰ কৃতিত্ব কেৱল বিজেপিৰ কাৰ্যকৰ্তাসকলৰ। ( তিনিপৃষ্ঠাত চাওক)

## ১৮, ৬৬২ কোটিটকীয়া প্ৰকল্পত অনুমোদন কেন্দ্ৰীয় কেবিনেটৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাস্তৱ হোৱাৰ দিশে আগবাঢ়িছে ব্ৰহ্মপুত্ৰৰ বক্ষ ভেদি নিৰ্মাণ কৰিবলগীয়া টু-ইন-টিউব সুৰংগ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমা সম্পৰ্কীয় কেবিনেট কমিটীয়ে গহপুৰৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড়ৰ ৭১৫নং ৰাষ্ট্ৰীয় ঘাই পথলৈ ব্ৰহ্মপুত্ৰৰ তলেৰে ১৫.৭৯ কিলোমিটাৰ পথ তথা ৰে'ল সুৰংগসহ ৪ লেনৰ প্ৰৱেশ নিয়ন্ত্ৰিত গ্ৰীনফিল্ড যোগাযোগ ব্যৱস্থাৰ নিৰ্মাণত অনুমোদন জনায়। অভিযান্ত্ৰিক ক্ৰয় নিৰ্মাণ (ইপিচি) নিৰ্মাণ ম'ডত মুঠ ১৮, ৬৬২ কোটি টকা ব্যয়েৰে অভিলাষী প্ৰকল্পটো ৰূপায়ণ কৰা হ'ব। উল্লেখ্য যে বৰ্তমান (দহ পৃষ্ঠাত চাওক)

# আজি ভাৰত-পাকিস্তানৰ হাইভল্টেজ মেচ




ৰঙিলী বাৰ্ত্তাসেৱা- আজি কলম্বোত অনুষ্ঠিত হ'ব বহু চৰ্চিত ভাৰত আৰু পাকিস্তানৰ হাইভল্টেজ মেচখন। বৰ্তমান বিশ্বৰ ক্ৰিকেট অনুৰাগীয়ে অধীৰ আগ্ৰহৰে বৈ আছে মেচখন উপভোগ কৰিবলৈ। বিশ্বকাপৰ আৰম্ভণিৰ পূৰ্বৰে পৰা এই বহু প্ৰতীক্ষিত মেচখন আয়োজনক লৈ অচলাৱস্থাৰ সৃষ্টি হৈছিল। বাংলাদেশক বিশ্বকাপৰ পৰা বাদ দিয়াৰ পিছত পাকিস্তানেও আইচিচিৰ সন্মানীয় প্ৰতিযোগিতাখনত ভাৰতৰে মেচ বৰ্জন কৰাৰ সিদ্ধান্ত লৈছিল যদিও ৮ দিনৰ পিছত আইচিচিৰ ওচৰত সেও মানি ভাৰতৰে মেচ খেলিবলৈ সন্মতি জনায়। মেচখন নিৰ্ধাৰিত সূচী মতে আৰম্ভ হ'ব বুলি আইচিচিয়ে সদৰী কৰাৰ পিছতে কলম্বো অভিমুখী সকলো বিমানৰ ভাৰা ৬ গুণলৈ বৃদ্ধি হয়। বিশ্ববাসীয়ে অধীৰ আগ্ৰহেৰে বাট চাই থকা আজিৰ এই বহু প্ৰতীক্ষিত মেচখনক লৈ সম্পূৰ্ণৰূপে সাজু হৈছে দুই চিৰন্তন প্ৰতিদ্বন্দ্বী দল ভাৰত আৰু পাকিস্তান। ইতিমধ্যে মেচখনৰ বাবে দুয়োটা দলে পৃথক পৃথক ৰণনীতি প্ৰস্তুত কৰিছে। আজিৰ এই গুৰুত্বপূৰ্ণ মেচখনত ওছমান তাৰিক পাকিস্তানৰ ট্ৰাম্পকাৰ্ড হ'ব বুলি চৰ্চা চলি থকাৰ সময়তে ভাৰতীয় দলটোৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে শনিবাৰে কয় যে তাৰিকক লৈ আমি কোনো চিন্তা কৰা নাই। স্পিনাৰগৰাকীৰ বিপক্ষে কোনো বিশেষ ৰণনীতিও আমি প্ৰস্তুত কৰা নাই। সতীৰ্থসকলে নিজৰ স্বভাৱসুলভ খেল দাঙি ধৰিব। আমি প্ৰথমৰ পৰাই আক্ৰমণাত্মক খেল খেলাৰ পৰিকল্পনা কৰিছোঁ। যিটো আমাৰ পূৰ্বৰে পৰা চলি আহিছে। আজিৰ এই গুৰুত্বপূৰ্ণ মেচখনত মূল একাদশলৈ উভতি আহিব মহম্মদ ছিৰাজ। ছিৰাজৰ প্ৰত্যাৱৰ্তনত অৰ্শদীপ সিঙে স্থান হেৰুৱাব লাগিব বুলি উল্লেখ কৰি সূৰ্য কুমাৰে লগতে কয় যে মেচখনত আমি পাকিস্তানৰ সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু আছোঁ। ইফালে বিশ্ববাসীৰ বহু প্ৰতীক্ষিত মেচখনক লৈ সম্ভম হৈ পৰিছে শ্ৰীলংকাই। মেচখনত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ ষ্টেডিয়ামতে সহস্ৰ বাহিনী নিয়োগ কৰিব শ্ৰীলংকা চৰকাৰে। শ্ৰীলংকাৰ প্ৰেমদাসা ষ্টেডিয়ামত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে শ্ৰীলংকা কৰ্তৃপক্ষই। ভাৰত-পাকিস্তান দুয়োটা দলৰ বাবে বিশেষ নিৰাপত্তাৰ ব্যৱস্থা কৰিছে শ্ৰীলংকা চৰকাৰে। ইতিমধ্যে ভাৰত-পাকিস্তানৰ খেলখন চাবলৈ অনুৰাগীৰ ভিৰ হোৱাৰ বিপৰীতে কেইবাজনো বিশিষ্ট ব্যক্তিকো আমন্ত্ৰণ জনোৱা হৈছে। উপস্থিত থাকিব আই চি চিৰ অধ্যক্ষ জয় শ্বাহ আৰু আই চি চি চি চি অ' সংযোগ গুপ্তা । এছিয়াৰ প্ৰখৰ প্ৰধান ক্ৰিকেট ব'ৰ্ড ভাৰত, পাকিস্তান, বাংলাদেশ, শ্ৰীলংকা, আফগানিস্তানৰ মুৰব্বীকো আমন্ত্ৰণ জনাইছে আইচিচিয়ে ।এই মেচখন আৰ. প্ৰেমাদাছা ষ্টেডিয়ামত সন্ধিয়া ৭:০০ বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে আৰু দুখন মেচ অনুষ্ঠিত হ'ব। মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত নেপাল আৰু ৰেষ্ট ইণ্ডিজৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাইত নামিবিয়াই আমেৰিকাৰ বিৰুদ্ধে খেলিব ।

### ঐতিহাসিক ক্ষণৰ সাক্ষী হ'ল মৰাণ তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণ

# উত্তৰ-পূবৰ প্ৰথমটো জৰুৰী বিমান অৱতৰণ সেৱা উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এক ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰ'ল মৰাণ তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণ। দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সোণালী আখৰে লিপিবদ্ধ কৰি মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত উদ্বোধন হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো জৰুৰী অৱতৰণ সেৱা চমুকৈ ইএলএফ । দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উদ্বোধন কৰে এই ইএলএফ। উল্লেখ্য যে মৰাণ বাইপাছত ১০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ৪.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাই ৰাষ্ট্ৰীয় ঘাইপথ আৰু জৰুৰীকালীন সময়ত ভাৰতীয় বায়ুসেনাৰ কাৰ্যকলাপৰ বাবে এক গুৰুত্বপূৰ্ণ বিমানঘাটি হিচাপে কাম কৰিব। এদিনীয়া ভ্ৰমণসূচীৰে শনিবাৰে অসম ভ্ৰমণলৈ অহা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দিল্লীৰ পৰা পোনে পোনে ডিব্ৰুগড়ৰ চাবুৱাৰ বায়ুসেনাৰ চাউনীত উপস্থিত হয় । চাবুৱাত উপস্থিত হৈ প্ৰধানমন্ত্ৰী মোদীয়ে বিমানঘাটিৰ পৰা বায়ুসেনাৰ এখন চি-১৩০ জে ছুপাৰ হাৰকুলিছ বিমানেৰে উৰা মাৰি বিশেষভাৱে শক্তিশালী ৰূপত নিৰ্মাণ কৰা এই ৰানৱে'তে সুকলমে অৱতৰণ কৰে। অসামৰিক আৰু সামৰিক-উভয় ব্যৱহাৰৰ বাবে উচ্চপ্ৰযুক্তিৰে নিৰ্মাণ কৰা এই ইএলএফে প্ৰাকৃতিক দুৰ্যোগ বা সংঘাতৰ দৰে সংকটকালত ডিব্ৰুগড় বিমানবন্দৰৰ এক শক্তিশালী বিকল্প হিচাপে সেৱা আগবঢ়াব। ইয়াত ৪০ টন পৰ্যন্ত ওজনৰ যুঁজাৰু বিমান আৰু সৰ্বাধিক ৭৪ টন ওজনৰ গধুৰ পৰিবহণ বিমান অৱতৰণ কৰিব পাৰিব। যাৰ ফলত এই কৌশলগতভাৱে স্পৰ্শকাতৰ চীন সীমান্ত অঞ্চলত প্ৰতিৰক্ষা যোগান ব্যৱস্থা, দ্ৰুত মোতায়েন আৰু মানৱীয় সাহায্য অধিক শক্তিশালী হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ ভ্ৰমণৰ আৰম্ভণিতে ভাৰতীয় বায়ুসেনাই ৪০ মিনিটজোৰা এক দৃষ্টিনন্দন এয়াৰ শ্ব' আগবঢ়ায়, যিয়ে এই কেন্দ্ৰটোৰ কাৰ্যক্ষমতা প্ৰদৰ্শন কৰে। ছুখয় আৰু ৰাফেলৰ দৰে ১৬খন যুঁজাৰু বিমানে ঘাইপথৰ পৰাই উৰা মৰা আৰু অৱতৰণৰ সফল প্ৰদৰ্শন কৰে। সামগ্ৰী আৰু সৈন্য পৰিবহণৰ বাবে বায়ুসেনাৰ নিৰ্ভৰযোগ্য বিমান এএন-৩২য়েও এই প্ৰদৰ্শনত অংশ লৈ দুৰ্গম অঞ্চলত ইয়াৰ বহুমুখিতা প্ৰদৰ্শন কৰে। ইয়াৰ উপৰি এডভাঞ্চড লাইট হেলিকপ্টাৰৰ দ্বাৰা মানৱীয় সাহায্য আৰু দুৰ্যোগ প্ৰশমন অভিযানৰ কৌশল প্ৰদৰ্শন কৰা হয়। এই ব্যৱস্থাই উত্তৰ-পূৰ্ব বানপ্ৰৱণ দুৰ্গম অঞ্চলসমূহত অনুসন্ধান আৰু উদ্ধাৰ অভিযান, চিকিৎসা সেৱা, নিৰীক্ষণ আৰু খাদ্য সামগ্ৰী যোগান ধৰাৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুৱাব। বায়ুসেনাৰ বিশেষ বাহিনী 'গৰুড়

( নপৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান — দেৱাশীষ গোস্বামী,নগাঁও

## নালাগে

-> হিংসা
->জাতিভেদ
-> মানৱতাৰ অৱক্ষয়
-> কৃত্ৰিমতা
-> যান্ত্ৰিকতা
-> অৰিয়াঁ অৰি
-> দুৰ্নীতি
-> ঘৃণা
-> বোকা চটিওৱা ৰাজনীতি
->নিকৃষ্ট মানসিকতা
-> অনাচাৰ
-> চৰিত্ৰহীন
-> প্ৰতিশোধ
->ৰোগ
-> বিষাদ
-> শত্ৰু
-> মূৰ্খ
-> পশ্চাৎগতি
-> কপটতা
-> মোবাইলৰ ৰঙীন স্ক্ৰীনত নিবদ্ধ চকুবোৰ
-> ঘৰৰ চাৰিসীমাৰ ভিতৰত স্ক্ৰীন তৰি খোৱা ভোজ ভাত
-> অহংকাৰী, মদগৰ্বী চৰিত্ৰ
-> আধুনিকতাৰ নামত বাহিকতা
-> উচ্চনীচৰ ভেদাভেদ
-> ৰিপু দমনৰ অক্ষমতা
-> পৰশ্ৰীকাতৰ, স্বাৰ্থপৰ চৰিত্ৰ
-> এখন সমাজ ধ্বংসকাৰী মদ, ভাং, ড্ৰাগছ
-> ক্ষমতাৰ অপব্যৱহাৰ
-> উশৃংখল জীৱন শৈলী
-> ন্যায় প্ৰদানৰ বিলম্বতা

## লাগে

-> অহিংসা
-> একতাৰ দোলেৰে মানৱীয় প্ৰমূল্যবোধ
-> অকৃত্ৰিমতা
-> স্বাভাৱিকতা
-> মিলাপ্ৰীতি
-> সুনীতি
-> প্ৰেম ভালপোৱা
-> নিকা ৰাজনীতি
-> উৎকৃষ্ট মানসিকতা
-> আচাৰ
-> চৰিত্ৰবান
-> ক্ষমা
-> স্বাস্থ্য
-> হৰ্ষ
-> মিত্ৰ
-> পণ্ডিত
-> অগ্ৰগতি
-> উদাৰতা
-> অতীতৰ সোণালী দিনবোৰ
-> নিকা, স্পষ্টবাদী একনিষ্ঠ চৰিত্ৰ
->চুবুৰীয়ে চুবুৰীয়ে সমিল মিলেৰে আয়োজন কৰা মহাভোজ
-> বাধাৰ প্ৰাচীৰ ভাঙি এখন মুকলি পথাৰ, য'ত প্ৰত্যেকটো চুবুৰীৰ, প্ৰত্যেকে জন শিশুৱে বিনা দ্বিধাই মাটিয়ে বালিয়ে নিজৰ শৈশৱ প্ৰাণখুলি উপভোগ কৰিব পাৰে, ডেকা বুঢ়া সকলো মিলি প্ৰকৃত জীৱনৰ গান হিয়া উজাৰি গাব পাৰে।

এখন সুস্থ সৰল, ভেদাভেদহীন, মানৱতাৰ জয় গানেৰে মুখৰিত সমাজৰ কামনাৰে.....

# নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত দক্ষিণ আফ্ৰিকাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- চলিত টি-২০ বিশ্বকাপত জয়ৰ হেটট্ৰিক দক্ষিণ আফ্ৰিকাৰ। শনিবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত গ্ৰুপ ডিৰ মেচখনত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। মেচখনত কিৱি বাহিনীয়ে জয়ৰ বাবে বান্ধি দিয়া ১৭৬ ৰানৰ লক্ষ্য অনুসৰণ কৰি অধিনায়ক মাৰ্কৰামৰ বিস্ফোৰক অপৰাজিত ৮৬ আৰু মিলাৰৰ অপৰাজিত ২৪ ৰানৰ সহায়ত দক্ষিণ আফ্ৰিকাই ১৭.১ অভাৰত ৩টা উইকেট হেৰুৱাই বিজয় হয়। ডি ক'কে ২০, ৰিকেলটনে ২১ আৰু ব্ৰেভিছেও ২১ ৰান কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি মাৰ্ক চেপমেনৰ ৪৮, ডাৰিল মিচেলৰ ৩২, ফিন এলেনৰ ৩১ আৰু জেমছ নিছামৰ অপৰাজিত ২৩ ৰানৰ সহায়ত নিউজিলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ৬৪ ৰানত চাৰিটাকৈ উইকেট হেৰুৱাই বিপদত পৰিছিল যদিও চেপমেনে মিচেলৰ সৈতে লগলাগি পঞ্চম উইকেটত ৭৪ ৰান কৰি দলৰ বিপৰ্যয় ৰোধ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ জানছেনে ৪টা উইকেট লয়।

# কামাখ্যা মন্দিৰ চৌহদত কৰিড'ৰ নিৰ্মাণত উচ্চ ন্যায়ালয়ৰ সেউজ সংকেত



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত নীলাচল পাহাৰৰ মা কামাখ্যা মন্দিৰৰ চৌহদত ৰাজ্য চৰকাৰৰ প্ৰস্তাৱিত কৰিড'ৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক সেউজ সংকেত দিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীৰ খণ্ড বিচাৰপীঠে ( নপৃষ্ঠাত চাওক)

# খানাপাৰাত বুথ বিজয়

কাৰ্যকৰ্তাই হৈছে বিজেপিৰ প্ৰাণবায়ু তথা অক্সিজেন। মোৰ বাবে ডাঙৰ প্ৰাপ্তি যে মই বিজেপিৰ কাৰ্যকৰ্তা। প্ৰধানমন্ত্ৰী মোদীয়ে বিজেপিৰ বুথ বিজয় সংকল্পত ভাষণ দি পুনৰ ক্ষমতালৈ অহাৰ দাবী কৰাই নহয়, বিৰোধী কংগ্ৰেছকো দিলে তুলাধুনা। প্ৰধানমন্ত্ৰী মোদীৰ মন্তব্য- অসমক কংগ্ৰেছে অশান্তি-অৰাজকতাৰ দিশে ঠেলি দিব বিচাৰিছে। যি উত্তৰ-পূবক কংগ্ৰেছে অৱজ্ঞা কৰিছিল আমি সেই উত্তৰ-পূবক সেৱা কৰিছোঁ। কংগ্ৰেছ এতিয়া বিষাক্ত হৈ পৰিছে বুলি উল্লেখ কৰি দলীয় কাৰ্যকৰ্তাক উদ্দেশ্যি প্ৰধানমন্ত্ৰীৰ মন্তব্য- আপোনালোকে পাহৰি যাব নালাগে। যোৱা ১০ বছৰ শাসনৰ পৰা বাহিৰত থাকি কংগ্ৰেছ অধিক বিষাক্ত হৈ পৰিছে। এতিয়া কংগ্ৰেছৰ শীৰ্ষ নেতাৰ পৰা তলৰ কৰ্মীলৈকে তেওঁলোকৰ মুখেৰে কেৱল বিষহে ওলায়। কংগ্ৰেছে অসমক পুনৰ অশান্তি আৰু অৰাজকতাৰ ফালে ঠেলি দি বেদখলকাৰীৰ হাতত তুলি দিব-বিচাৰিছে। দলটোৰ দিল্লীৰ নেতাসকলৰ লগতে ৰাজ্যৰ কংগ্ৰেছ নেতৃত্বও এতিয়া অবৈধ বেদখলকাৰীৰ ৰক্ষণাবেক্ষণত নামি পৰিছে। কংগ্ৰেছে অসমৰ আচল পৰিচয় নোহোৱা কৰি দিব বিচাৰিছে। অহা পাঁচ বছৰ অসমৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ হ'ব। এই সময়ছোৱাত বহুত প্ৰকল্প ৰূপায়ণ হ'ব, যিয়ে অসমৰ উন্নয়নৰ ডেউকাৰূপে পৰিচিত হ'ব। যাৰ বাবে অসমত ডাব্‌ল ইঞ্জিনৰ চৰকাৰৰ প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে পুনৰ কয়-যিসকলে উত্তৰ-পূবক ভাৰতৰ পৰা বিচ্ছিন্ন কৰাৰ শ্লোগান দিছিল, সেইসকল কংগ্ৰেছৰ বাবে আদৰণীয় আছিল। স্বাধীনতাৰ সময়ত মুছলিম লীগে দেশৰ বিভাজন আনিছিল। কংগ্ৰেছ এতিয়া মাওবাদী-মুছলিম লীগ হৈছে। যিয়ে পুনৰ দেশখন দুভাগ কৰিব বিচাৰিছে। কংগ্ৰেছ এতিয়া এমএমচি। গতিকে সকলোৱে কংগ্ৰেছৰ পৰা সাৱধানে থাকিব লাগিব। অসমৰ ৰাইজকো কংগ্ৰেছৰ পৰা সাৱধানে ৰাখিব লাগিব। কংগ্ৰেছৰ কু-শাসনৰ কথা আজিৰ প্ৰজন্মই নাজানে। কংগ্ৰেছৰ শাসন অসমতেই হওক বা দিল্লীতেই হওক, তেওঁলোকে অসমক বিপৰ্যয় অৱস্থাত পেলাই থৈছিল। অসমৰ বিকাশৰ ক্ষেত্ৰত, অসমৰ ৰাইজৰ উন্নয়নৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু কংগ্ৰেছে তেওঁলোকে ৭০ বছৰীয়া শাসনকালত ব্ৰহ্মপুত্ৰৰ ওপৰত মাত্ৰ তিনিখন দলঙহে নিৰ্মাণ কৰিলে। দলটোত প্ৰধানমন্ত্ৰীও অসমৰ পৰাই নিৰ্বাচিত হৈছিল। কিন্তু তাৰ পিছতো মাত্ৰ তিনিখন দলং? অসমৰ বিকাশৰ মূল চালিকাৰূপে পৰিচিত ব্ৰহ্মপুত্ৰৰ ওপৰত কংগ্ৰেছে স্বাধীনতাৰ দীৰ্ঘ সময়ৰ পিছত মাত্ৰ তিনিখন দলং নিৰ্মাণ কৰি অসমক প্ৰতাৰণা কৰা নাছিলনে? এনে অৱস্থাৰে অসমৰ বিকাশ তীব্ৰতৰ হোৱা সম্ভৱ হ'ব পাৰে জানো? ২০১৪ত দিল্লীত বিজেপি চৰকাৰ গঠনৰ দুই-তিনি বছৰ পিছত অসমতো গঠন হ'ল বিজেপি চৰকাৰ। ইয়াৰ ফলশ্ৰুতিত যোৱা ১০-১১ বছৰত বিজেপি-এনডিএ চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৫খন বৃহৎ বদলং নিৰ্মাণ সম্পূৰ্ণ কৰিলে। কংগ্ৰেছৰ তিনিখন দলং নিৰ্মাণৰ বিপৰীতে বিজেপিয়ে ১০ বছৰতেই ৫খন দলং নিৰ্মাণ কৰিলে। কংগ্ৰেছে কেৱল অসমক সমস্যাহে দিছিল। কিন্তু বিজেপিয়ে অসমক সমাধান দিলে। কুমাৰ ভাস্কৰ বৰ্মা সেতু অসমৰ আধুনিক আন্তঃগাঁথনিৰ পৰিচয়। এই দলঙে গুৱাহাটীক দেশৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে পুনৰ কয়- কংগ্ৰেছে তুষ্টিকৰণ, ভোটবেংকৰ ৰাজনীতি কৰিছিল, কংগ্ৰেছৰ কু-শাসনৰ বাবেই স্থবিৰ হৈছিল অসমৰ উন্নয়ন। কিন্তু বিগত ১০ বছৰত দেশত যি নতুন প্ৰকল্প আৰম্ভ হৈছে তাৰ সুফল পাই আছে অসমে। এতিয়া বন্দে ভাৰত শ্লীপাৰ ৰে'লৰ অসমৰ পৰাই আৰম্ভ হৈছে। অসমবাসীৰ মৰম মই কেতিয়াও পাহৰিব নোৱাৰোঁ বুলি মন্তব্য কৰি প্ৰধানমন্ত্ৰীয়ে কয়- ৫জি টেকন'লজী অসমত তথা উত্তৰ-পূবৰ প্ৰতিখন গাঁৱত উপলব্ধ। অসমৰ যুৱ সমাজে হাইস্পীড ইণ্টাৰনেট সুবিধা লাভ কৰিছে। কংগ্ৰেছৰ কাৰ্যকালত বিধ্বস্ত হৈ পৰা স্বাস্থ্য সেৱা উন্নয়নত গুৰুত্ব দি বিজেপিয়ে গুৱাহাটীত এইমছ স্থাপন কৰিলে। আজি অসমত আইআইএম উদ্বোধন হ'ল। প্ৰধানমন্ত্ৰীয়ে কয়, মই অসমক প্ৰতিশ্ৰুতি দিব বিচাৰিছোঁ আপোনালোকে মোক যি মৰম দিলে, তাক মই সুদসহ ওভতাই দিম।

# ওদালগুৰিত বিটিচিৰ মিনি সচিবালয়ৰ শিলান্যাস মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ওদালগুৰিত বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল (বিটিচি)ৰ মিনি সচিবালয় আৰু এখন ৰে'লৱে উৰণ সেতু নিৰ্মাণৰ শিলান্যাস কৰে। ইয়াৰ পিছতে তেওঁ কলাইগাঁৱত আয়োজিত এখন বিশাল ৰাজহুৱা সভাত টংলা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত বীজ মূলধনৰ চেক প্ৰদানৰ শুভাৰম্ভকৰে। উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ সভাৰ পৰাই মুখ্যমন্ত্ৰী ড° শৰ্মাই আভাসীয়ভাৱে উদ্বোধন কৰে টংলা নগৰ পানী যোগান প্ৰকল্প (খণ্ড ১ আৰু ২)। প্ৰায় ১৫০ কোটি টকা ব্যয়ৰে ২৫ বিঘা ভূমি সামৰি ওদালগুৰিত বিটিচিৰ মিনি সচিবালয় নিৰ্মাণ কৰা হ'ব। পাঁচ মহলীয়া মিনি সচি বালয় ভৱনটোত বিটিচিৰ বিভিন্ন বিভাগ, সভাগৃহ আদি থাকি ব। তদুপৰি ইয়াত বিটিচি বিধানসভা ভৱন নিৰ্মাণ (দহ পৃষ্ঠাত চাওক)

# জুবিন হত্যাৰ গোচৰৰ বাবে বিশেষ আদালত গঠনৰ আহ্বান গৰিমাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সংক্ৰান্তত শুকুৰবাৰে কামৰূপ মহানগৰ জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হয় । আজিৰ আদালতে মূলত তিনি অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক পৃথক আৱেদনৰ ওপৰত শুনানি গ্ৰহণ কৰে । ইয়াৰ বিপৰীতে অসম চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে আৱেদনসমূহৰ বিৰোধিতা কৰে। পিছত উভয় পক্ষৰ যুক্তি শুনি আদালতে অভিযুক্তৰ আৱেদনসমূহৰ সন্দৰ্ভত অহা ১৬ ফেব্ৰুৱাৰীত ৰায় প্ৰদানৰ বাবে দিন ধাৰ্য কৰে। হত্যাকাণ্ডটোৰ মূল অভিযুক্ত তথা নৰ্থ-ইষ্ট ফেষ্টিভেলৰ স্বত্বাধিকাৰী শ্যামকানু মহন্তৰ অধিবক্তাই দাখিল কৰা এখন আবেদনৰ ওপৰত আদালতে শুনানি গ্ৰহণ কৰে। এই সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা অপূৰ্ব শৰ্মাই সদৰী কৰা মতে শ্যামকানু মহন্তৰ বেংক একাউণ্টসমূহ ইতিমধ্যে ছীল কৰা হৈছে। আদালতে এই সন্দৰ্ভত কোনো ৰায়দান কৰা নাই যদিও অহা ১৬ ফেব্ৰুৱাৰীত আদালতে এই সন্দৰ্ভত শুনানি প্ৰদান কৰিব। আনহাতে শিল্পীগৰাকীৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাই দাখিল কৰা এখন আবেদন সন্দৰ্ভতো আদালতে শুনানি ( নপৃষ্ঠাত চাওক)

# গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী

সময়ছোৱাত তেওঁক সংগ দিলে ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাই। উল্লেখ্য যে ছয় শাখাযুক্ত এক্সট্ৰাড'জড পিট্ৰেছড কংক্ৰিট (ইপিএছচি) কুমাৰ ভাস্কৰ বৰ্মা দলংখনে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰাৰ লগতে উত্তৰ-পূব ভাৰতৰ প্ৰথমখন এক্সট্ৰাড'জড দলং হিচাপে পৰিগণিত হ'ব। ইয়াৰ ফলত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ যাত্ৰাৰ সময় ৭ মিনিটলৈ হ্ৰাস পাব। অঞ্চলটোৰ উচ্চ ভূমিকম্প প্ৰৱণতাক বিবেচনা কৰি দলংখনত ঘৰ্ষণ পেণ্ডুলাম বিয়াৰিঙৰ লগতে ভিত্তি পৃথকীকৰণ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। স্থায়িত্ব আৰু দীৰ্ঘম্যাদী গাঁথনিত কাৰ্যক্ষম নিশ্চিত কৰিবলৈ উচ্চ কাৰ্যক্ষম ষ্টে' কেৱল ব্যৱহাৰ কৰা হৈছে। সঠিক সময়ৰ অৱস্থা নিৰীক্ষণ, আগতীয়াকৈ ক্ষতি ধৰা পেলোৱা আৰু এ'ট্ৰাড'জড সম্পন্ন দলংখনৰ উন্নত সুৰক্ষা আৰু সেৱাৰ বাবে এটা দলং স্বাস্থ্য নিৰীক্ষণ ব্যৱস্থাও (বিএইচএমএছ) অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়- ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ সদায়ে প্ৰত্যাহ্বানমূলক। ব্ৰহ্মব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীৰ ওপৰত দলং নিৰ্মাণ সহজ বিষয় নহয়। অসমৰ আয়ুসৰেখা হিচাপে পৰিচিত এনে এখন বিশাল নদীৰ ওপৰত তিনিখন দলং নিৰ্মাণ, ইয়াৰ দ্বাৰা অসম তীব্ৰ উন্নয়নৰ দিশলৈ যোৱা সম্ভৱনে? কুমাৰ ভাস্কৰ বৰ্মা দলঙে যোগাযোগৰ ক্ষেত্ৰত অৰিহণা যোগোৱাই নহয়, ই হ'ব উন্নয়নৰ অন্যতম উদাহৰণ। কুমাৰ ভাস্কৰ বৰ্মা দলং উদ্বোধনৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যৱস্থাপনা আৰু বিত্তীয় শিক্ষাৰ ক্ষেত্ৰত অসমলৈ আগবঢ়ালে আন এক বিশেষ উপহাৰ। প্ৰধানমন্ত্ৰী মোদীয়ে মুকলি কৰে আইআইএম গুৱাহাটীৰ অস্থায়ী চৌহদ। কামৰূপৰ বঙৰাত আগন্তুক কিছু বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব আইআইএম গুৱাহাটীৰ সম্পূৰ্ণ চৌহদ। ৫৫৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই বিত্তীয় শিক্ষাৰ প্ৰতিষ্ঠানখনে অসমৰ লগতে উত্তৰ-পূবলৈ শৈক্ষিক বিপ্লৱ আনিব বুলিও উল্লেখ কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে ভাৰ্চুৱেলী কামৰূপ জিলাৰ আমিনগাঁৱত স্থাপন কৰা উত্তৰ-পূবৰ বাবে ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰটোও ভাৰ্চুৱেলী উদ্বোধন কৰে। এই কেন্দ্ৰটোৱে অনুমোদিত ভাৰ ৮.৫ মেগাৱাট আৰু প্ৰতি ৰেকত গড় ৰেক ১০ কিলোৱাট ক্ষমতাসম্পন্ন এই অত্যাধুনিক ডাটা চেণ্টাৰটোৱে বিভিন্ন চৰকাৰী বিভাগৰ মিছন-ক্ৰিটিকেল এপ্লিকেচনৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য ৰাষ্ট্ৰীয় ডাটা চেণ্টাৰৰ বাবেও দুৰ্যোগ পুনৰ উদ্ধাৰৰ কেন্দ্ৰ হিচাপে কাম কৰিব। ইয়াৰ দ্বাৰা উত্তৰ-পূবৰ ৰাজ্যসমূহে অত্যাৱশ্যকীয় নাগৰিককেন্দ্ৰিক সেৱাসমূহ ডিজিটেলী সুবিধা প্ৰদান কৰিব পাৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে পিএম-ই বাছ সেৱা আঁচনিৰ অধীনত গুৱাহাটীৰ বাবে ১০০খন, নাগপুৰৰ বাবে ৫০খন, ভাৱনগৰৰ বাবে ৫০খন আৰু চণ্ডীগড়ৰ বাবে ২৫খন মুঠ ২২৫খন বৈদ্যুতিক বাছৰ ফ্লেগ অফ কৰে। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।


গৌৰৱ গগৈ, জিতেন্দ্ৰ সিং, ভূপেশ বাঘেলক বাধা-নিষেধ আদালতৰ

# মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু পৰিয়ালৰ সম্পত্তিক লৈ মন্তব্য কৰিব নোৱাৰিব



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ (মহানগৰ) জিলা দেৱানী আদালতে এতিয়াৰে পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ সম্পত্তি সন্দৰ্ভত কোনো মন্তব্য কৰিব নোৱাৰিব প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ লগতে কংগ্ৰেছৰ দুই ৰাষ্ট্ৰীয় নেতা এআইচিচিৰ সাধাৰণ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং আৰু ছত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলেও মুখ্যমন্ত্ৰীৰ সম্পত্তি সন্দৰ্ভত কোনো ৰাজহুৱা মন্তব্য কৰিব নোৱাৰিব বুলি গুৰুত্বপূৰ্ণ নিৰ্দেশনা দিছে ।প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ আৰু কংগ্ৰেছৰ দুই ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং আৰু ভূপেশ বাঘেলে অনা দুৰ্নীতিৰ অভিযোগ তথা মুখ্যমন্ত্ৰীগৰাকীৰ পৰিয়ালে ৰচ হাজাৰ বিঘা ভূমি অবৈধভাৱে দখল কৰা বুলি অনা অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে তৰা ৫০০ কোটি টকাৰ মানহানি গোচৰ সম্পৰ্কত শুনানি গ্ৰহণ কৰি জিলা দেৱানী আদালতৰ ন্যায়াধীশ (ছিনিয়ৰ ডিভিজন) নয়ন জে শৰ্মাৰ আদালতে এই নিৰ্দেশনা প্ৰদান কৰে। আদালতে কেৱল সাংসদ গৌৰৱ গগৈ, জিতেন্দ্ৰ সিং আৰু ভূপেশ বাঘেলৰ ওপৰতে নহয়, ‘অসমীয়া প্ৰতিদিন’ কাকতৰ স্বত্বাধিকাৰী তথা সম্পাদক জয়ন্ত বৰুৱা, প্ৰকাশক যতীন চৌধুৰী আৰু এগৰাকী ষ্টাফ ৰিপ’ৰ্টাৰকো তলব কৰি মুখ্যমন্ত্ৰীৰ সম্পত্তি বিষয়ক বাতৰি পৰিৱেশন কৰাত বাধা আৰোপ কৰিছে। আদালতে সংশ্লিষ্ট সকলো ( দহ পৃষ্ঠাত চাওক)

# অসম বিজ্ঞান সমিতি ডিব্ৰুগড় শাখাৰ প্ৰতিষ্ঠা দিৱস পালন




ৰঙিলী বাৰ্ত্তাসেৱা- বিজ্ঞানৰ প্ৰচাৰ প্ৰসাৰৰ অৰ্থে ১৯৫৩ চনতে গুৱাহাটীত “গৌহাটী বিজ্ঞান সমিতি” নামেৰে গঢ়লৈ উঠা অনুষ্ঠানটিয়ে ১৯৫৬ চনত ‘অসম বিজ্ঞান সমিতি’ নামেৰে পৰিচিত হৈ বৰ্তমান পাঁচ শতাধিক শাখাৰে অসমৰ চুকে কোণে জাতিষ্কাৰ হৈ পৰিছে। ১৩ ফেব্ৰুৱাৰী অনুষ্ঠানটিৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি এইবাৰ কেন্দ্ৰৰ তৰফৰ পৰা শাখা সমূহলৈ দিয়া নিৰ্দেশ অনুসৰি ষাঠিৰ দশকতে গঢ়লৈ উঠা অন্যতম পুৰণি শাখা ডিব্ৰুগড় শাখাই ৭৫ বছৰৰ ঊৰ্দ্ধৰ তিনিগৰাকী বিজ্ঞানীক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ লগতে ‘নিচাজাতীয় দ্ৰব্যৰ অপকাৰিতা’ সম্পৰ্কত এক বক্তৃতানুষ্ঠানৰো আয়োজন কৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটিত সভাপতিত্ব কৰে ডিব্ৰুগড় শাখাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰী মূৰব্বী অধ্যাপিকা ড° ভাৰতী দত্তই। শাখাৰ সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলিয়ে বিজ্ঞান সমিতিয়ে বিজ্ঞানৰ প্ৰচাৰ তথা প্ৰসাৰৰ অৰ্থে কৰি অহা কাৰ্যৰ প্ৰশংসা কৰে। ডিব্ৰুগড় শাখাৰ কাৰ্যাৱলীৰ অনুকৰণীয় দিশ সমূহো তেখেতে উল্লেখ কৰে। সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে। সম্বৰ্ধিত তিনিগৰাকী ব্যক্তি যথাক্ৰমে ডাঃ ৰমা প্ৰসাদ মেধি, ড° কুঞ্জলতা দেউৰী আৰু ড° মুহিবুল ইছলামে তেখেতসকলৰ কৰ্মৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱাত ডিব্ৰুগড় শাখাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। ড° মুহিবুল ইছলামে তাহানিতে অসম বিজ্ঞান সমিতিৰ সৈতে থকা ওতপ্ৰোত সম্পৰ্কৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। কেন্দ্ৰীয় সমিতিৰ সভাপতি সম্পাদক আৰু ডিব্ৰুগড় শাখাৰ সভাপতি, সম্পাদকৰ দ্বাৰা স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰ, ফুলাম গামোছা আৰু একোটি গ্ৰন্থৰ টোপোলাৰে তেখেতসলক ( নপৃষ্ঠাত চাওক)

# সদৌ বংশৰ নাট্য সন্মিলনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে নাট কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ বৃহত্তৰ বংশৰ অঞ্চলৰ নাট্য সাংস্কৃতিক অনুষ্ঠান সদৌ বংশৰ নাট্য সন্মিলনৰ উদ্যোগত অহা ৫ এপ্ৰিলত হ’বলগীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নিজ কাৰ্যালয়ত দুমাহ ধৰি “নাট কৰ্মশালা”ৰ গৃহটি শুভ উদ্বোধন কৰে সদৌ বংশৰ নাট্য সন্মিলনৰ সভাপতি তথা শিক্ষক সনাতন বৈশ্যই। বয়োজ্যেষ্ঠ তথা ভাগৱতচাৰ্য বগা ৰাম বৈশ্যই বন্তি প্ৰজ্বলন কৰে। সদৌ বংশৰ নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক তথা কৃতী প্ৰধান শিক্ষক ইন্দ্ৰ কান্ত বৈশ্য ই আতধৰা “নাট কৰ্মশালা”ৰ শুভাৰম্ভ অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে সন্মিলনৰ মুখ্য উপদেষ্টা ৰমেশ দাসে। কৰ্মশালাৰ উদ্দেশ্যে ব্যাখ্যা কৰে সম্পাদক ভূপেন তালুকদাৰে। বিশিষ্ট নাট পৰিচালক, অভিনেতা, নাট্যকাৰ তথা মুখ্য প্ৰশিক্ষক অমূল্য কুমাৰ দেৰে কয় যে এনেধৰণৰ ( নপৃষ্ঠাত চাওক)

# অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বদান্যতা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ এজন সক্ৰিয়, অসুস্থ দলীয় কৰ্মীৰ হাতত বৃহস্পতিবাৰে দুই লাখ টকাৰ চেক প্ৰদান কৰি এক মহানুভৱতা দেখুৱালে। নামনি মাজুলীৰ চিলাকলাৰ বাসিন্দা, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা অনুসূচিত জাতি মৰ্চাৰ প্ৰাক্তন সভাপতি কিৰণ কুমাৰ মেধিক আজি দুই লাখ টকাৰ চেক প্ৰদান কৰে। নাৰ্ভৰ জটিল ৰোগত আক্ৰান্ত কিৰণ কুমাৰ মেধিয়ে কালি মাজুলী ভ্ৰমণলৈ অহা অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি তেওঁৰ অসুস্থতাৰ খবৰ দিছিল। মাজুলীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠান ৰূপায়ন কৰি ষ্টেজৰ পৰা নামি অহাৰ পাছতে অসুস্থ দলীয় কৰ্মী কিৰণ মেধিক সাক্ষাৎ কৰে। নামনি মাজুলী চিলাকলা গাঁৱৰ নিৱাসী আৰু মাজুলী জিলাৰ ভাৰতীয় জনতা পাৰ্টী সক্ৰিয় কাৰ্যকৰ্তা তথা প্ৰাক্তন অনুসূচিত জাতি মৰ্চাৰ সভাপতি কিৰণ কুমাৰ মেধিয়ে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যজনিত জটিলতা বৰ্ণনা কৰে। উক্ত সাক্ষাৎ কালতে ড° হিমন্ত বিশ্ব শৰ্মাই কম সময়ৰ ভিতৰত আৰ্থিক সাহায্য হিচাপে ২০০০০০.০০ (দুই লাখ) টকাৰ ধন ৰাশি প্ৰদান কৰিব বুলি ঘোষণা কৰিছিল। মাজুলীৰ বিধায়ক ভুবন গামৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ( নপৃষ্ঠাত চাওক)

# ১ মাৰ্চ-৩১ মে’লৈ ৰাজ্যিক কৰ্মচাৰীৰ ছুটী বাতিল

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে চৰকাৰী কৰ্মচাৰীৰ সকলোধৰণৰ ছুটী বাতিল কৰিছে। ৰাজ্যিক কৰ্মচাৰীয়ে অহা ৩ মাহলৈ কোনোধৰণৰ ছুটী নাপাব বুলি কঠোৰ নিৰ্দেশনা জাৰি কৰিছে ৰাজ্য চৰকাৰে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ অধিসূচনা মাৰ্চ মাহৰ প্ৰথম সপ্তাহত ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে উল্লেখ কৰিছিল। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীৰ এনে ঘোষণাক লৈয়ে জিলা নিৰ্বাচনী বিষয়াই প্ৰতিখন জিলা প্ৰশাসনক চৰকাৰী বিষয়া-কৰ্মচাৰীক ছুটী নিদিয়াৰ বাবে এক নিৰ্দেশনা প্ৰেৰণ কৰিছে। এই নিৰ্দেশনা ( নপৃষ্ঠাত চাওক)

# বঁটা বিতৰণী সভা



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ অধীনৰ নিউ গন্ধমৌ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক বিদ্যালয় সপ্তাহ জানুৱাৰী মাহত অনুষ্ঠিত হয়। দৌৰ, টেকেলি ভঙা, পাৰ পুখুৰী, মৰ্টন খোৱা, চকীত বহা, ওজন দলিওৱা আদি খেল অনুষ্ঠিত হয়। বাৰ্ষিক খেল সপ্তাহৰ বঁটা বিতৰণী সভা খন বিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হয় এই উদ্দেশ্যে আয়োজিত বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেন বৈশ্য ই আতধৰা বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ( নপৃষ্ঠাত চাওক)

# শিৱ আৰু শিৱৰাত্ৰি



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

ওঁম নমঃ শিবায়, শিৱৰাত্ৰি হিন্দুধৰ্মৰ এক পবিত্ৰ অনুষ্ঠান। ভাৰতবৰ্ষৰ ঐতিহাসিক যুগৰ পৰা হিন্দুধৰ্মৰ লোক সকলে পালন কৰি আহিছে , ইয়াৰ উপৰি বেলেগ বেলেগ দেশতো বাস কৰা সনাতন ধৰ্মৰ লোক সকলেও পালন কৰে বুলি জানিব পাৰিছোঁ।

শিৱৰাত্ৰী শিৱ আৰু হিমালয়ৰ দুহিতা দেৱী পাৰ্বতীৰ বিবাহৰ দিন মিলনৰ ৰাতি বুলি আইতাহতৰ মুখত শুনাৰ উপৰিও ধৰ্মীয় গ্ৰন্থতো পাইছোঁ। শিৱ প্ৰভুৰ প্ৰথমা পত্নী সতীৰ মৃত্যুৰ পিছত প্ৰভু শিৱ একান্ত ধ্যানত মগ্ন আছিল। সেই সময়তে দেৱী পাৰ্বতীয়ে শিৱক আৰাধনা কৰি তেওঁক স্বামীৰূপে পাব'লৈ কঠিন ব্ৰত কৰে। দেৱীৰ স্তুতিত সন্তুষ্ট হৈ বৰদান দিয়ে কিন্তু বিবাহ কৰিবলৈ প্ৰথমে প্ৰস্তুত নাছিল। ব্ৰহ্মা, বিষ্ণু নাগ, দেৱতা গন্ধৰ্ব সকলোৱে সহমত আৰু প্ৰভু শিৱই মা পাৰ্বতী দেৱীৰ কিছু পৰীক্ষা লয়। সেই পৰীক্ষাত দেৱী সফল হোৱাত ফাগুন মাহৰ কৃষ্ণ চতুৰ্দশী তিথিত শিৱ আৰু পাৰ্বতীৰ বিবাহ সম্পন্ন হয়। শিৱ প্ৰভুক ভোলানাথ বুলিও কয় তেওঁ অলপতে সন্তুষ্ট হয় কাৰণে, প্ৰভু শিৱৰ ১০৮নাম আছে। শিৱ কেৱল দেৱতাৰে নহয়, অসুৰসকলৰো আৰাধ্য। ভাৰতবৰ্ষত আজিও ভগৱান শিৱৰ ১২ টা জ্যোতিৰ্লিঙ্গ বিৰাজমান- সেই স্থানত মহা ধুমধামেৰে শিৱৰাত্ৰি পালন কৰা হৈছে। শিৱৰাত্ৰিৰ দিনা হিন্দু ধৰ্মাৱলম্বী লোকসকলে ৰাতি উজাগৰে *(বাৰপৃষ্ঠাত চাওক)*


# ফাগুন



**ৰিমী হাজৰিকা, মাজুলী**

সৰা পাতে পাতে ফাগুন নামি আহে,
ৰাঙলী মদাৰে হালি জালি নাচে।
ফাগুনৰ পছোৱা বতাহ জাকে,
মোৰ মন হৰি নিয়ে চেনাইৰ কাষলে ।
ফাগুনৰ মধুৰ বতাহ জাকে,
বাউলি কৰে মোক প্ৰতি উশাহতে।
শিমলু, চেগুনৰ ডাল বোৰে
সেউজীয়া ৰ পাতনি মেলে।
ফাগুন মানেই যে এক মিঠা ৰাগি,
বলিয়া ফাগুনৰ মধুৰ সন্মোহিনী।
ফাগুনৰ মধুৰ গুঞ্জনত ভাহি থাকে,
কত ডেকা গাভৰুৰ চঞ্চল হাঁহি।।
এই ফাগুনতে শুকান গছ বোৰে,
সেউজীয়াৰ পাতনি মেলে।
ৰঙৰ আৱেস্তনিত আৰ হৈ ফাগুনে
দি যায় বসন্তৰ বতৰা।।

# শিৱৰাত্ৰিতেই ভেলেন্টাইন



ভগৱান শিৱক হিন্দু ধৰ্মত অন্যতম পূজনীয় শ্ৰেষ্ঠ দেবতা হিচাপে গন্য কৰা হয়। শিৱ পাৰ্বতীৰ প্ৰেম ভক্তি ভৰা আধ্যাত্মিক প্ৰেম, ত্যাগ আৰু আদৰ্শৰ নিৰ্দশন। পাৰ্বতীৰ কঠোৰ তপস্যাৰ বাবে বৈৰাগী মহাদেৱক সংসাৰৰ প্ৰতি আকৃষ্ট কৰি প্ৰেম আৰু সৃষ্টিৰে মানৱ জীৱকুলৰ মাজত প্ৰেমৰ শ্ৰেষ্ঠ দেৱতা ৰূপে পৰিগনিত কৰে । প্ৰেমৰ পুজাৰী শিৱ - পাৰ্বতী, শিৱ-শক্তি বুলিও জনা যায়।

বিশ্বব্ৰহ্মাণ্ডত প্ৰথম প্ৰেম বিবাহ হৈছিল শিৱ-পাৰ্বতীৰ, পাৰ্বতীৰ পূৰ্বজন্মত বছৰ বছৰ ধৰি পাৰ্বতীয়ে কৰা তপস্যাৰ অন্তত সংসাৰ বৈৰাগী অঘৰী শিৱ বাবাক পিছৰ জন্মতো তেওঁ এক নিষ্ঠাৰে কৰা ধ্যান আৰু তপৰ বলত ধৈৰ্য, বিশ্বাস আৰু কঠোৰ পৰিশ্ৰমৰ অন্তত প্ৰেমক জয় কৰি শিৱ বাবাৰ পত্নীৰ মৰ্য্যদা লাভ কৰে । এগৰাকী ৰাজকুমাৰীয়ে অঘৰী, সংসাৰ বৈৰাগী এজনক লাভ কৰিব গৈ নিজ পিতৃ গৃহতে নানান লাঞ্চনা ভোগ কৰিব লগা হৈছিল। তথাপি স্থিতপজ্ঞ হৈ আবিৰত ভাবে কৰা তপস্যাৰ অন্তত তেওঁৰেই পত্নীৰ মৰ্য্যদা পাবলৈ সক্ষম হয়। বিবাহৰ আগত যিদৰে পিতৃ গৃহত কঠোৰ বাক্যবানৰ সন্মুখিন হৈছিল সেইদৰে বিবাহৰ পিছত নিজ পিতৃৰ গৃহত তেওঁলোকে বিনা নিমন্ত্ৰণে উপস্থিত হোৱাত আমন্ত্ৰিত সকলো দেৱগণৰ আগত অপমানিত হ'ব লগা হয়। স্বামীক কৰা লাঞ্ছনাৰ বাবে অপমান সহ্য কৰিব নোৱাৰি সতীয়ে নিজদেহ ত্যাগ কৰিছিল। শিৱ বাবাৰো পত্নীৰ প্ৰতি থকা অক্লান্ত প্ৰেমে পত্নীৰ বিয়োগত মৰ্মাহত হৈ কান্ধত উঠাই পৃথিৱী ভ্ৰমি ফুৰিছিল শিৱবাবাৰ সেই ৰুদ্ৰমূৰ্তী তাণ্ডৱৰ সৃষ্টি কৰিছিল। ব্ৰহ্মাণ্ডত এনে ঘটনা বিৰল হৈ ৰ'ল।

**নমিতা দাস, শুৱালকুছি**

শিৱ-সতীৰ দুয়োৰে প্ৰেমেৰেই প্ৰথম বৈবাহিক জীৱন আৰম্ভ কৰিবলৈ আৰ্শিবাদ দিয়া হয় বিবাহিত পুৰুষ মহিলাক। কোৱা হয় হৰ-গৌৰীৰ বাসস্থান লাভ কৰক। আধুনিক যুগতো শিৱ পাৰ্বতীৰ প্ৰেমত অনুপ্ৰাণীত হৈ ডেকা-গাভৰুৰ প্ৰেমৰ সফল পৰিণতিৰ বাবে শিৱকে আৰাধনা কৰে। প্ৰেমৰ গভীৰতা নিৰুপন কৰিব নোৱাৰি প্ৰেমে অসম্ভৱ কামো সম্ভৱ কৰে মনলৈ অফুৰন্ত প্ৰেৰণা আনে সাহস দিয়ে। সেনেকুৱা এটা প্ৰেম হৈছে ছেইন্ট ভেলেন্টাইনৰ প্ৰেম। ক্লিডিয়াছ নামৰ সম্ৰাট এজনে যেতিয়া ৰোমান সাম্ৰাজ্য শাসন কৰিছিল। তেওঁ সাম্ৰাজ্য বিস্তাৰৰ বাবে ডেকা সকলক সৈনিক হিচাপে নিযুক্তি দিয়াইছিল। কিন্তু কোনো সৈনিকে যাতে প্ৰেম বা বিবাহ কৰিব নোৱাৰে তাৰ বাবে তেওঁ কঠোৰ আইনী ব্যৱস্থা লোৱাৰ সময়তে *(বাৰপৃষ্ঠাত চাওক)*

# ভগৱানৰ লাঠিৰ শব্দ নাথাকে, প্ৰতিশোধতকৈ ক্ষমা আৰু বিশ্বাসৰ শক্তি বেছি




**শৈলেন কুমাৰ, মিৰ্জা**

মানৱ জীৱনত সুখ আৰু দুখ, জয় আৰু পৰাজয় এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। সমাজত বসবাস কৰোঁতে আমি বহু সময়ত অন্যায় বা লোকৰ পৰা অহিতৰ সন্মুখীন হওঁ। কোনোবাই আমাক আঘাত দিলে বা আমাৰ অনিষ্ট কৰিলে আমাৰ মনত স্বাভাৱিকতেই প্ৰতিশোধৰ জুই জ্বলি উঠে। কিন্তু আমাৰ পূৰ্বপুৰুষসকলে এটা অতি অৰ্থবহ কথা কৈ গৈছে- "ভগৱানৰ লাঠিৰ শব্দ নাথাকে।"

যেতিয়া কোনো ব্যক্তিয়ে আমাৰ সৈতে অন্যায় কৰে, তেতিয়া প্ৰতিশোধ ল'বলৈ গৈ আমি নিজৰ মানসিক শান্তি ভংগ কৰোঁ। খঙে আমাৰ বিচাৰ বুদ্ধি লোপ কৰে আৰু আমি একেই অন্যায় কামত লিপ্ত হওঁ। কিন্তু মহৎ লোকসকলে কয় যে, অন্যায় কৰা জনক নিজৰ হাতেৰে শাস্তি দিয়াতকৈ সকলোখিনি সৃষ্টিকৰ্তা বা সময়ৰ ওপৰত এৰি দিয়াটোৱে বুদ্ধিমানৰ কাম। কাৰণ মানুহৰ বিচাৰত ভুল হ'ব পাৰে, কিন্তু প্ৰকৃতি তথা ভগৱানৰ বিচাৰত কোনো ভুল নহয়।

অনুশোচনাৰ জুই, হাতত উঠাই কাৰোবাক আঘাত কৰিলে শৰীৰত বিষ হয়, কিন্তু মনৰ পৰিৱৰ্তন নহয়। আনহাতে, যদি আমি আমাৰ ওপৰত হোৱা অন্যায়ৰ বিৰুদ্ধে ধৈৰ্য্য ধৰোঁ আৰু ভগৱানৰ ওপৰত বিশ্বাস ৰাখোঁ, তেন্তে সেই অন্যায়কাৰী ব্যক্তিয়ে এদিন নিজৰ ভুল বুজি পাব। যিদিনা তেওঁৰ বিবেক দংশন হ'ব, সেই অনুশোচনাৰ জুই যিকোনো দৈহিক শাস্তিতকৈ বেছি শক্তিশালী হ'ব। এই অনুশোচনাই মানুহক ভিতৰৰ পৰা দগ্ধ কৰে আৰু শুদ্ধ হ'বলৈ বাধ্য কৰে।

ক্ষমা দুৰ্বলতা নহয়, ই হ'ল আটাইতকৈ ডাঙৰ শক্তি। ভগৱানক বিশ্বাস কৰা মানেই এয়া মানি লোৱা যে কোনো কৰ্মই অথলে নাযায়। প্ৰত্যেকটো কৰ্মৰ ফল আমাৰ ওচৰলৈ ঘূৰি আহে। ভাল কৰ্মৰ ফল ভাল আৰু বেয়া কৰ্মৰ পৰিণতি বেয়া। যিয়ে কাৰোবাৰ অহিত চিন্তিছে, তেওঁ সময়ৰ সোঁতত নিজৰ কৰ্মৰ ফল ভোগ কৰিবই। ইয়াৰ বাবে আমি হাতত অস্ত্ৰ লোৱাৰ বা বেয়া ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই।

অশান্ত পৃথিৱীখনত শান্তিৰে জীয়াই থাকিবলৈ হ'লে আমি আনৰ ওপৰত ভৰসা কৰাতকৈ সত্য আৰু ন্যায়ৰ ওপৰত বিশ্বাস ৰখা উচিত। কাৰোবাৰ অহিতৰ বিপৰীতে অহিত কৰিলে সমাজত কেৱল শত্ৰুতাহে বাঢ়িব। গতিকে, কোনোবাই অনিষ্ট কৰিলে তাক ঈশ্বৰৰ ওপৰত এৰি দি আমি নিজৰ কৰ্মত মনোনিবেশ কৰা উচিত। মনত ৰখা ভাল, ঈশ্বৰৰ বিচাৰ নীৰৱে আহে, কিন্তু সেই বিচাৰ হ'লে সাৰি যোৱাৰ কোনো উপায় নাথাকে।

# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য



মাতৃ আৰু সন্তানৰ সম্পৰ্ক হৈছে এক গভীৰ, আন্তৰিক আৰু অবিচ্ছেদ্য বন্ধন, যি জন্মৰ পৰাই আৰম্ভ হয়। য'ত মাতৃয়ে সন্তানক শাৰীৰিক, মানসিক তথা বৌদ্ধিক ভাবে লালন-পালন কৰে, পথ প্ৰদৰ্শন কৰে, নিৰাপত্তা প্ৰদান কৰাৰ লগতে সন্তানৰ ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু দুয়োৰে মাজত বিশ্বাস, মৰম তথা পৰস্পৰৰ প্ৰতি সন্মানৰ ভাব গঢ় লৈ উঠে।যাৰ বাবে এগৰাকী মাতৃয়ে সন্তানৰ প্ৰথম শিক্ষক আৰু আটাইতকৈ ডাঙৰ পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰে। মাতৃ আৰু সন্তানৰ সম্পৰ্ক হৈছে এনে এক পবিত্ৰ বন্ধন, যি জীৱনৰ প্ৰতিটো স্তৰতে, পৰ্যায়তে প্ৰভাৱ পেলায় আৰু

**নিবেদিতা হাজৰিকা, লখিমপুৰ**

ইয়াৰ ওপৰত ভিত্তি কৰিয়ে এখন সুস্থ সমাজ গঢ় লৈ উঠাৰ বাট সুগম হৈ উঠে। সেয়ে এই ক্ষেত্ৰত এগৰাকী মাতৃৰ দায়িত্ব আৰু কৰ্তব্য যথেষ্ট বেছি। সন্তানৰ সুন্দৰ ব্যক্তিত্ব, সুন্দৰ জীৱন এটা গঢ়ি তোলাৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ বহু ত্যাগ আৰু কষ্ট জড়িত হৈ থাকে।

আজিৰ জটিল পৰিৱেশত এগৰাকী মাতৃৰ দায়িত্ব কেৱল সন্তানক শাৰীৰিক ভাৱে সুস্থ ৰখাই নহয়, বৰঞ্চ এই সমূহৰ উপৰিও নৈতিক শিক্ষা, আদৰ্শ দাঙি ধৰি, মানসিক ভাৱে শক্তিশালী কৰি এজন সু-নাগৰিক হিচাপে গঢ়ি তোলা। মাতৃ গৰাকীৰ এনে সক্ৰিয় মনোভাৱ আৰু সক্ৰিয় সহযোগিতাই সন্তানক যথেষ্ট শক্তি প্ৰদান কৰে আৰু তেওঁলোকৰ মূল্যবোধ, আত্মবিশ্বাস আৰু জীৱনৰ প্ৰতি ইতিবাচক দৃষ্টিভংগীয়ে জীৱন সুগম কৰি তোলাত সহায় কৰে। পৰিৱৰ্তিত, যান্ত্ৰিক আৰু সামাজিক চাপ (হেঁচা) ৰ মাজত এগৰাকী মাতৃৰ এই দিশ সমূহৰ প্ৰতি ইতিবাচক সঁহাৰি আৰু ভূমিকা অধিক গুৰুত্বপূৰ্ণ। সন্তান যাতে মানসিক চাপ, বিচ্ছিন্নতা আদি ভাৱৰ সন্মুখীন নহয় বা হ'লেও যাতে এই সমূহ চম্ভালি ল'ব পাৰে বা চম্ভালি ল'বলৈ শিকে ইয়াৰ বাবে মাতৃগৰাকীয়ে মৰম তথা সঠিক পথ নিৰ্দেশনা কৰাৰ লগতে সন্তানক সৃজনীশীল কামত উৎসাহিত কৰা উচিত।

**আগলৈ...**

# চাহ-শ্ৰমিকৰ দুৰ্দশা আৰু মুখ্যমন্ত্ৰীৰ 'এটি কলি, দুটি পাত' আঁচনি



অসমৰ সামাজিক তথা অৰ্থনৈতিক পৰিচয়ৰ সৈতে যিসমূহ শব্দ ওতঃপ্ৰোতভাৱে জড়িত, তাৰ ভিতৰত "চাহ" অন্যতম। অৱশ্যে অসমত চাহ শিল্পৰ প্ৰথম আৱিষ্কৰ্তাক লৈ কিছু মতানৈক্য পৰিলক্ষিত হয়। ৰবাৰ্ট ব্ৰুচৰ নিজৰ ভাষ্যমতে, তেৱেঁই অসমত চাহৰ আৱিষ্কাৰ কৰা প্ৰথম ইউৰোপীয়। ১৮২৩ চনত ব্ৰুচে অসমৰ হাবিত চাহ গছৰ অস্তিত্বৰ সন্ধান লাভ কৰে আৰু তৎক্ষণাৎ এজন চিংফৌ মুৰব্বীৰ সৈতে চাহ যোগান সম্পৰ্কে এখন চুক্তিত উপনীত হয়। এই ঘটনাৰ ভিত্তিত ক'ব পাৰি যে অসমত চাহ শিল্পই ইতিমধ্যে দুশ বছৰ অতিক্ৰম কৰিছে। বৰ্তমান বিশ্বজুৰি চাহ শিল্পৰ ক্ষেত্ৰত ভাৰতৰ এক বিশেষ সুনাম আছে আৰু দেশখনৰ মুঠ চাহ উৎপাদনৰ প্ৰায় শতকৰা ষাঠিভাগেই অসমত উৎপাদিত হয়। তদুপৰি, বিশ্বৰ চাহ বজাৰত অসমৰ চাহে সৰ্বাধিক চাহিদা লাভ কৰিছে। উপলব্ধ তথ্য অনুসৰি, অসমত বৰ্তমান মুঠ ৮৫৬ খন চাহ-বাগিছা আছে। এই বাগিছাসমূহত প্ৰায় ৬৪.৫ লাখ লোক নিয়োজিত হৈ আছে আৰু বছৰি ইয়াত প্ৰায় ৪৬১ নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰা হয়।

**দ্বীপেন বৰুৱা**

১৮৫৮ চনলৈকে লক্ষ্য কৰিলে দেখা যায় যে অসমৰ বিভিন্ন জিলাৰ চাহ-বাগিছাসমূহত নিয়োজিত বনুৱাসকল বিভিন্ন সম্প্ৰদায়ৰ আছিল। তেওঁলোকৰ ভিতৰত অসমীয়া, গাৰো, কাৰ্বি, লালুং, কছাৰী আদি জনগোষ্ঠীৰ লোকেই প্ৰধান আছিল। লক্ষণীয় যে এই বনুৱাসকলে চাহ-বাগিছাসমূহত স্থায়ীভাৱে কাম কৰাৰ ইচ্ছা বিশেষ প্ৰকাশ কৰা নাছিল। থলুৱা উপযুক্ত শ্ৰমিকৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি ১৮৩৯ চনত ৰবাৰ্ট ব্ৰুচে ভাৰতৰ অন্য অঞ্চলসমূহৰ পৰা চাহ-বাগিছাত কাম কৰিবলৈ শ্ৰমিক অনাৰ প্ৰস্তাৱ আগবঢ়াইছিল। পৰৱৰ্তী সময়ত ১৮৬৩ চনত আছাম কোম্পানীয়ে এখন আইন প্ৰণয়ন কৰে আৰু ইয়াৰ পাছতেই অসমলৈ চাহ-বাগিছাৰ বাবে শ্ৰমিক আমদানিৰ ক্ষেত্ৰত বাগিছাৰ মালিকসকলে চৰকাৰী অনুমতি লাভ কৰে। চৰকাৰী হিচাপ অনুসৰি, ১৮৬৩ চনৰ পৰা ১৮৬৬ চনৰ ভিতৰত অসমলৈ প্ৰায় ৮৪, ৯১৫ জন বনুৱা অনা হৈছিল। কিন্তু অসমৰ ভিন্ন জলবায়ু আৰু অনুকূল পৰিবেশৰ অভাৱত বহু বনুৱা ৰোগাক্ৰান্ত হৈ পৰে আৰু ফলস্বৰূপে তেওঁলোকৰ এক বৃহৎ অংশ বেমাৰত মৃত্যুবৰণ কৰিবলগীয়া হয়।

**আগলৈ...**

# ৰজা

**মালা বৰুৱা**



এখন দেশত এক ৰজা আছিল।
সৰু সৰু মানুহৰ দুখে তেওঁৰ হিয়া চুইছিল।
তেওঁৰ এখাৰ মাত, অকণমান গুণগুণ সুৰৰ মায়াত
লৰা, বুঢ়া, লগৰীয়া গোটেই ৰাইজখন বলিয়া আছিল।
দেশখনৰ মানুহবোৰে শেষ আশা বুলি তেওঁকেই ধিয়াইছিল।
কাৰোবাৰ হাতত যদি উন্নত চিকিৎসাৰ আবেদন
কাৰোবাৰ আকৌ সুস্থিৰ এক ভৱিষ্যৎৰ প্ৰয়োজন।
তেওঁৰ নাছিল কোনো ৰজা হোৱাৰ আনুষ্ঠানিক দীক্ষা,
অথবা ৰজা হম বুলি কৰা অনন্ত প্ৰতীক্ষা।
তেওঁ এখন দেশৰ ৰজা আছিল
যত তেওঁৰ অনুৰাগী, অমিয়া প্ৰেমত বন্দী
গকুলৰ গোপ যেন, বৃন্দাবনৰ ৰাধাজেন
এসাগৰ প্ৰজা আছিল,
তেওঁলোকৰ বুকুজুৰি ৰজাৰ বাবে বাবে হেজাৰ ৰাজদৰবাৰ আছিল।
সেই ৰজাৰ বুকুত সহস্ৰযোজন জোৰা এখন দেশ আছিল।
সেইদেশৰ ৰজাৰ কোনো জাতি নাছিল, কোনো ধৰ্ম নাছিল, তেওঁ
মুক্ত, কাঞ্চনজংঘাৰ উচ্চ
শিৰ আছিল।
ৰজাৰ ৰাজকোষত মাথোঁ,
শব্দ, গান আৰু সুৰৰ বন্যা।
মৰমৰ জোনাক আৰু শক্তিৰে ভৰপূৰ ৰদালী পুৰা।
চহকী হাতেৰে বিলাইছিল - কাক কিমান লাগে লোৱা।
যিমানে বিলালে সিমানে চপালে
মৰমৰ সাগৰ, হেঁপাহৰ নদী আৰু শ্ৰদ্ধাৰ মেটমৰা ভাৰ।
পিছে এদিন....
আকাশখন গাতেলৈ
সাগৰ তলিত শুবলে গৈ
ৰজা দেখোন নোহোৱা হল।
মানুহবোৰে আকাশক দুষিলে
নিৰ্বাক আকাশে হিয়া ঢাকুৰি কান্দিলে।
মানুহবোৰে সাগৰলৈ ও আঙুলি টোঁৱালে।
অলেখ ঢৌ বুকুতে সামৰি সাগৰখনে বেদনাৰ নীলাত মুখ লুকুৱালে
আঁকৰা ৰইজখন ক্ৰুদ্ধ হৈ উঠিছে,
পগলা বতাহ এটা ৰুৰুৱাই জ্বলিছে।
ৰজা নোহোৱাৰ কাৰণ লাগে।
(কেঁচু খান্দোতে সাপ ওলাইছে!)
শোক এ দুঃখে জুৰুলা ৰজাৰ কুঁৱৰী এ নিজৰ সন্তাপ সামৰি দুহাত
জুৰি পাৰ্থনা কৰিছে,
" অবুজন নহব ৰাইজ,
ধেৰ কাম আছে --,।
ৰজাই বিচৰা বৰ অসম খন গঢ়িবলে,
একেখন আকাশৰ তলত এক অভেদ্য দুৰ্গ গঢ়িবলে।"
এতিয়া বৈ বৈ বিনোৱা নিশাবোৰক
আশাৰ জোনাকী বোৰে কানে কানে কৈ গৈছে
অলপ সময় মাথোঁ, অলপ সময় -
প্ৰভাতী পখীৰ গুণ গুণ গানে পাখী মেলিছে
তাৰ লাহি ডেউকাই কুঁৱলী আঁতৰাই ন্যায়ক আদৰি আনি আছে।
ইয়াত এজন ৰজা আছিল,
উদাসীন ই, মধুসূদন আৰু কাজলী হতৰ যন্ত্ৰণাই তেওঁৰ চকু
সেমেকাইছিল।
সৰু সৰু মানুহবোৰৰ মৰমৰ ভৰত তেওঁ দো খাইছিল।
এখন দেশত এক ৰজা আছিল।
ZG তেওঁৰ নাম আছিল।

260078 Assam Govt Project Hoarding_Round 2_1
2 x 1 Ratio

JANASANYOG- 4447/25/15-Feb-26



# আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি মাতৃৰ দায়িত্ব আৰু কৰ্তব্য

পৰিস্মৃতা বৰা হাজৰিকা, মাজুলী, নিকিনিখোৱা

যোৱাখণ্ডৰ পৰা...



আজিৰ পৰিৱেশত সন্তানৰ প্ৰতি এগৰাকী মাতৃৰ দায়িত্ব কেৱল সন্তানৰ সু-স্বাস্থ্য গঢ় দিয়া বা শাৰীৰিক যত্ন লোৱাতেই সীমাবদ্ধ নহয়। এগৰাকী মাতৃয়ে সন্তানৰ নৈতিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশৰ লগতে সমাজত নিজৰ সন্তানক সু-নাগৰিক হিচাপে গঢ়ি তোলা আৰু বৰ্তমান পৰিৱেশৰ লগত খাপ খুৱাই আগবাঢ়ি যাবলৈ শিক্ষা দিয়া আদি সকলো মাতৃ গৰাকী দায়িত্ব আৰু কৰ্তব্য।

শিশুক কেতিয়াও হীনমন্যতা আৰু নিৰাপত্তাহীনতাত ভুগিবলৈ দিব নালাগে। এগৰাকী মাতৃয়ে সময়, নিজৰ বুদ্ধি, পৰ্যবেক্ষণ ক্ষমতাৰে শিশুক পূৰ্ণ বিকাশত সহায় কৰে। মাতৃৰ সৰলতাৰ সুযোগ লৈ যাতে সন্তানে বিপথে পৰিচালিত নহয় তাৰ প্ৰতি মাতৃ গৰাকীয়ে সতৰ্ক দৃষ্টি ৰখাতো প্ৰয়োজন। শিশুৰ অনুশাসন বেছি কঠোৰ বা একেবাৰে শিথিল হোৱা অনুচিত। শিশুৰ বাবে খেলাৰ ভুমিকা আবেগিক দৃষ্টিকোণৰ অতিশয় গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে কৰা অঙ্গ সঞ্চালন কাৰ্যই শিশুৰ আবেগিক উত্তেজনা সুস্থ আৰু সুখৰ কৰি তোলে। শিশুৰ আবেগ যাতে অচেতন মনত অৱদমিত হব লগা নহয় তাৰ প্ৰতি গুৰুত্ব দিয়া উচিত।

শিশুৰ মনত সৃষ্টি হোৱা আত্মসন্মান, স্বাধীনতা, আত্মমৰ্যাদা, প্ৰশংসা এই গুণবোৰ অভিভাৱক তথা মাতৃ গৰাকীয়ে গুৰুত্ব দিয়া উচিত । এই সকলোবোৰ পূৰণ কৰিবলৈ মাতৃয়ে চেষ্টা কৰিব লাগে, যাতে শিশুৱে কেতিয়াও নিজকে অকলশৰীয়া, নিৰাপত্তাহীনতা, নিৰাশা আদি নেতিবাচক মনোভাৱৰ সন্মুখীন হব লগা নহয়। এগৰাকী মাতৃৰ পূৰ্ণ সহযোগীতা, আন্তৰিকতা, উদাৰতা, আত্ম - অনুশাসনেৰে প্ৰতিটো মুহূৰ্ত্তত সন্তানক লগ দিব পাৰিলে তেওঁ নিশ্চয় আগুৱাই যাব। শিশুৰ ভালপোৱা বেয়াপোৱা সকলো ৰুচি গুৰুত্ব দি সন্তানক আগুৱাই নিয়াৰ দায়িত্ব মাতৃগৰাকী। সেয়েহে মাতৃ গৰাকী সদা সচেতন হোৱা প্ৰয়োজন। শিশুৰ মনত আধ্যাত্মিক ভাৱ বিকাশৰ বাবে প্ৰাৰ্থনা কৰোৱা দায়িত্ব মাতৃগৰাকী। শিশুৰ মনত প্ৰেম, মৰম, ভালপোৱা ভাৱ জাগ্ৰত কৰা দায়িত্ব মাতৃগৰাকী। শিশুৰ মনত কেতিয়াও হিংসা ভাৱৰ জন্ম হবলৈ দিব নালাগে। সেয়েহে এগৰাকী মাতৃয়ে কেতিয়াও নিজৰ সন্তানক আনৰ লগত তুলনা কৰিব নালাগে। সন্তানৰ খেল -ধেমালী, পঢ়া -শুনাত আনৰ লগত তুলনা কৰি গালি - শপনি পাৰিলেই সন্তানৰ মনত বিৰূপ ভাৱৰ জন্ম হয়। সন্তান যাতে বিপথে পৰিচালিত নহয় তাৰ বাবে মাতৃ গৰাকীয়ে গঠনমুলক পৰামৰ্শ আৰু ভাল উপদেশ দি শিশুক আগুৱাই নিব লাগে।

বৰ্তমান সময়ত সমাজত দেখা দিয়া বিশৃংখলতা, অশান্তি, দুনীৰ্তি আতৰ কৰিবলৈ সন্তানক মূল্যবোধৰ শিক্ষা দিয়া প্ৰয়োজন ।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল- দেশ কাল পাত্ৰভেদে মানুহৰ বহুত পৰিৱৰ্তন ঘটিছে। কিন্তু শিশু শত শত বছৰৰ আগতে যেনে আছিল বৰ্তমানো তেনে আছে ।

শিশু ভগৱানৰ সৃষ্টি । যুগৰ পৰিৱৰ্তন হলেও শিশুৰ সৰলতা একেই আছে। এটি শিশুৰ ৬ বছৰৰ পৰা ৮ বছৰৰ এই সময়ছোৱাত শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ উপযুক্ত সময়। এই সময়তেই এটি শিশুৱে নজনাতো জানিবলৈ উৎসুক হৈ পৰে। ৯ পৰা ১২ বছৰৰ জটিল সময়চোৱাত শিশুৱে বাস্তৱ কাহিনী, দুঃসাহসিকতা, কাল্পনিক প্ৰৱণতা। জ্ঞান বিজ্ঞানৰ কথা জানিবলৈ ইচ্ছা প্ৰকাশ কৰে। এই সময়ত মাতৃ গৰাকী অতিশয় কাৰ্যক্ষম হব লাগে, নহলে শিশুসকল বিপথগামী হোৱাতো স্বাভাৱিক।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল- “ A woman is the builder and moulder of a nation’s destiny. Though delicate and soft as a lily . She has a heart far stronger than that of man.” আমি সকলোৱে জানো যে বৰ্তমান সময়ত সমাজ ব্যৱস্থাত নৱ প্ৰজন্মক নিচাযুক্ত দ্ৰবি পংগু কৰি পেলাইছে । মদ, ভাং, বিড়ি, চিগাৰেট, ড্ৰাগচ আদি সেৱন কৰি বহুতো ফুল কলিতে মৰহি যোৱা উপক্ৰম হৈছে । এই ক্ষেত্ৰত সন্তানক গঠনমুলক পৰামৰ্শ আৰু বন্ধুত্বপূৰ্ণ আচৰণেৰে এগৰাকী মাতৃয়ে বিশেষ ভুমিকা পালন কৰি এখন সুস্থ আৰু নিকা সমাজ গঢ়াত অৰিহণা যোগাব পাৰে। এই ক্ষেত্ৰত এগৰাকী মাতৃয়ে নিজৰ লগতে আনৰ সন্তানকো ইয়াৰ পৰা আতৰাই আনিব পাৰে।

আজিৰ যুগ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ। শিশু অৱস্থাৰ পৰাই সকলো জ্ঞান লাভ কৰিবলৈ সুবিধা পাই। ব্যক্তিগত ৰুচি, অভিৰুচি, প্ৰবৃত্তি অনুসাৰে, স্বাভাৱিক সুন্দৰ আৰু শোভনীয় দিশবোৰ গ্ৰহণ কৰা, অশোভনীয় আৰু অহিতকৰ বিষয়বোৰ বৰ্জন কৰা শিক্ষা দিব লাগে এগৰাকী মাতৃয়ে । নিজৰ সমাজ খনৰ, জাতিটোৰ যাৰ দ্বাৰা উন্নতি হয়, তেনে কৰ্মহে আমি গ্ৰহণ কৰিব লাগে।

মহামানৰ মহাত্মা গান্ধীয়ে কৈছিল- “পৃথিৱীৰ সকলো বতাহ মই মোৰ খিড়িকীৰে সোমাবলৈ দিম, কিন্তু সেই বতাহে মোক উৰুৱাই নিবলৈ নিদিওঁ” - এই উক্তিষাৰৰ লেকাম থাকে এগৰাকী মাতৃৰ হাতত । সঠিক সময়ত সন্তানক উচিত শিক্ষা দিলে সন্তান কেতিয়াও বিপথে নাযায় ।

“ মাতৃ দেৱো ভৱ”

এগৰাকী নাৰীক দেৱীৰ লগত তুলনা কৰা হয়। এগৰাকী নাৰীৰ মাজত থকা বোধ শক্তি, সুনাম, আকৰ্ষণ, ধৈৰ্য্য, স্মৃতি শক্তি, উপদেশপূৰ্ণ কথা ক’ব পৰা শক্তি, ক্ষমা কৰিব পৰা এই শক্তিবোৰ থকাৰ বাবেই সন্তানক লালন -পালন কৰি উপযুক্ত ভাৱে গঢ় দিবলৈ সক্ষম হৈছে । আজিৰ শিশু কালিলৈ দেশৰ ভৱিষ্যত। এটি সন্তানে নিজৰ লগতে আনৰো মংগল কৰিব পাৰে তাৰ বাবে সততা আৰু দৃঢ়তা, মানৱীয়তা গুণৰ প্ৰয়োজন। সেই গুণবোৰৰ শিক্ষা মাতৃ গৰাকীয়ে সৰুৰেপৰা দিয়া উচিত। তেতিয়াহে আমি আমাৰ সমাজ তথা জাতিৰ মংগল কামনা কৰিব পাৰিম ।

## টকা

প্ৰভাত বণিয়া



টকা আৰু মানুহ  
দুয়ো মূল্যৱান সম্পদ  
টকা নহলে আজি কালি জীৱন অসাৰ বুলি প্ৰায়ে চৰ্চা হয়  
টকা থকা লোকৰ সোঁৱে বাওঁৱে অজস্ৰ বন্ধু  
যাৰ টকা আছে তেওঁলোকক সকলোৱে সন্মান কৰে  
তেওঁলোকে বিলাসী গাড়ীত ঘূৰে  
বিলাসী ঘৰত থাকে  
বিলাসী পোছাক পিন্ধে  
সদায় বিলাসী জীৱন যাপন কৰে  
টকা থকা লোকক আকৌ বহুত সময়ত উদাৰ মনৰ  
দেখা যায় দুখীয়াক বিপদ আপদত সহায় কৰে  
বেমাৰ আজাৰত মানুহৰ খবৰ লয়  
ভাল কামত দান-বৰঙণি আগবঢ়ায়  
কাকো টকাৰ অনাহক বাহাদুৰি নেদেখুৱায়  
সততে বিনয়ী হয়  
ৰাইজে তেওঁলোকৰ গুণ গান গায়  
টকা থকা আন কিছুমান আকৌ গপত গঙাটোপ হৈ থাকে  
গুৰু গোসাই নমনা হৈ অদ্ভুত আচৰণ কৰে  
পুৰণি বন্ধু-বান্ধৱ, পেহা-পেহী, দাদা-বাইদেউ দুদিনতে অচিনাকি হৈ পৰে  
ভুৱা আভিজাত্যই তেওঁলোকৰ মূৰত ধৰে  
আজি কালি পূজা পাৰ্বণ, বিয়া-সৰাহত আধ্যাত্মিক ধ্যান ধাৰনা,  
চিন্তা চৰ্চাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হয়  
বাহ্যিক লাহ-বিলাহ, জাকজমকতাৰ প্ৰতি মানুহৰ গুৰুত্ব অপৰিসীম  
কীৰ্তন গীতা ভাগৱত, কোৰান বাইবেল আদি মহান ধৰ্ম গ্ৰন্থ  
সমূহৰ মহত্ব বুজা বা শুনাৰ ধৈৰ্য্য নাই কিছু লোকৰ  
বাতৰি কাকত, আলোচনী, কিতাপ পঢ়া  
তেওঁলোকৰ ইচ্ছাৰ বাহিৰত  
তেওঁলোকৰ মনত এনেকুৱা ভাৱ হয়  
অযথা সময় খৰচ কৰাৰ কি লাভ  
ধন ঘটিব লাগে যি কোনো উপায়ে  
সাহিত্য চৰ্চা কৰা অথবা সমাজ সেৱা কৰা জনক  
মুঠেই পছন্দ নহয় তেওঁলোকৰ শংকৰদেৱ, বাৰ্ণাডশ্ব’,  
ছেকচপিয়েৰ, সতী জয়মতী,চৈয়দ আব্দুল মালিক  
জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা কোন হয়  
তেওঁলোকে মাথা মাৰি সময় খৰচ কৰিব নোখোজে  
তেওঁলোকৰ বহুত প্লেন  
চহৰত ঘৰ, মাটি বাৰী, কেৱা মহলীয়া বিল্ডিং,  
গাড়ী মটৰ পাৰ্কিং  
আৰামদায়ক জীৱন হাতৰ মুঠিত ঈপ্সিত বিলাস ধৰি ৰখা  
তেওঁলোকৰ এতিয়া একমাত্ৰ সপোন ।

# উত্তৰ-পূবৰ প্ৰথমটো

কমাণ্ডো’ৰে এই প্ৰদৰ্শনৰ সময়ত অত্যন্ত নিখুঁতভাৱে ৰছীৰে নামি আহে, যিয়ে সন্ত্ৰাসবাদবিৰোধী অভিযান আৰু উচ্চ-বিপদসংকুল পৰিস্থিতিত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকাক প্ৰতিফলিত কৰে। এই অনুষ্ঠানত ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, তিনিচুকীয়া জিলাৰ লগতে আন বহিঃজিলাৰ লগতে অৰুণাচল আৰু নাগালেণ্ডৰ নাগৰিকো এই ঐতিহাসিক মুহূৰ্তটো প্ৰাণ ঢালি উপভোগ কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। এই অনুষ্ঠানৰ পূৰ্বে চাবুৱা বিমানঘাটিত প্ৰধানমন্ত্ৰী মোদীক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যৰ শীৰ্ষ বিষয়াসকলে উষ্ম আদৰণি জনায়। খোৱাং বিধানসভাৰ চাবুৱা বিমানঘাটিৰ পৰা পোনে পোনে প্ৰধানমন্ত্ৰী মোদী বিশেষ বিমানেৰে মৰাণৰ ১২৭নং ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড° শৰ্মাই গামোচা, এটি ফুলাম জাপি আৰু চুতীয়া ৰাজ্যৰ অন্তিমগৰাকী ৰাণী সতী সাধনীৰ এখন প্ৰতিচ্ছবিৰে আদৰণি জনায়। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল, ভাৰতীয় বায়ুসেনাৰ মুৰব্বী, এয়াৰ চীফ মাৰ্চেল অমৰ প্ৰীত সিং, ৰাজ্য চৰকাৰৰ মন্ত্ৰী যোগেন মহন, প্ৰশান্ত ফুকনৰ সৈতে কেইবাগৰাকীও বিধায়ক, বায়ুসেনা, আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়া আদি উপস্থিত থাকে।

# অসমৰ মুখ্যমন্ত্ৰী হিমন্ত

শৰ্মাৰ উক্ত আৰ্থিক সাহায্যৰ চেকখন অসুস্থ দলীয় নেতা কিৰণ মেধিৰ বাসগৃহলৈ প্ৰেৰণ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ এটা সঁজাতি দলে কিৰণ মেধিৰ চিলাকলা বাসগৃহত উপস্থিত হৈ দুই লাখ টকাৰ উক্ত চেকখন প্ৰদান কৰে। এই আৰ্থিক সাহায্যৰ উক্ত চেকখন আজি মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি দীপক গোস্বামীয়ে কিৰণ মেধিৰ বাসগৃহত গৈ অসুস্থ মেধিৰ হাতত অৰ্পণ কৰে। উক্ত, চেক বিতৰণ অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টিৰ নামনি মাজুলী মণ্ডলৰ সভাপতি প্ৰেমকান্ত মেধি, সাধাৰণ সম্পাদক নৱজিত মিলি, মধ্য মাজুলী মণ্ডলৰ সভাপতি উৎপল ভেৰুৱা, চিলাকলা গাঁও পঞ্চায়তৰ সভানেত্ৰী সুমিত্ৰা হাজৰিকা, শক্তিকেন্দ্ৰৰ আহ্বায়ক মিনাৰাম মিলিৰ উপস্থিতিত চেকখন প্ৰদান কৰা হয় ।উক্ত, চেকখন গ্ৰহণ কৰি ভাৰতীয় জনতা পাৰ্টিৰ কিৰণ মেধিয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু তেওঁৰ চিকিৎসাৰ ক্ষেত্ৰত ডাঙৰ সহায় হ’ব বুলি উল্লেখ কৰে।

# ১ মাৰ্চ-৩১ মে’লৈ

অনুসৰি ১ মাৰ্চৰ পৰা ৩১ মে’লৈ অৰ্থাৎ নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পৰা নিৰ্বাচনৰ প্ৰক্ৰিয়া শেষ নোহোৱালৈকে কোনো কৰ্মচাৰীকে ছুটী প্ৰদান কৰা নহ’ব। কেৱল জৰুৰীকালীন ক্ষেত্ৰতহে মঞ্জুৰ কৰা হ’ব ছুটী। উল্লেখ্য যে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পাছতেই ৰাজ্যিক বিষয়া-কৰ্মচাৰীসকলক নিৰ্বাচন আয়োগে বিভিন্ন নিৰ্বাচনী কামত নিয়োজিত কৰিব। যাৰ বাবে সকলোধৰণৰ ছুটী বাতিল কৰিছে ৰাজ্য চৰকাৰে।

# বঁটা বিতৰণী সভা

বংশৰ ভুংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জিলা কৃতী শিক্ষক বঁটা প্ৰাপক ইন্দ্ৰ কান্ত বৈশ্যই। সভাত আমন্ত্ৰিত অতিথিৰ ভাষণ প্ৰদান কৰে গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ সভাপতি গোলোক চন্দ্ৰ দাসে। তেওঁ কয়- মানসিক উৎকৰ্ষ সাধন কৰিবলৈ হলে পঢ়াৰ উপৰিও খেল -ধেমালী অতি প্ৰয়োজন আৰু এনেদৰে আগুৱাই গৈ এদিন দেশৰ নিজৰ নাম উজলাই তোলাৰ পোষকতা কৰে। সভাত নিজ গন্ধমৌ মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক কল্প বৈশ্য ই ভাষন ৰাখে। অৱসৰী শিক্ষক কাদিৰ আলী, তাজুদ্দিন আহমেদ, কৃষ্ণ ৰাম বৈশ্য, পৰেশ ডেকা, ধনঞ্জয় দাস, সংগীতা দাস, হাছেন আলী, কৰিঅ’গ্ৰাফাৰ বিশ্বজিৎ বৈশ্য উপস্থিত থাকে। সভাত ছাত্ৰ -ছাত্ৰী সকলে গীত নৃত্য পৰিৱেশন কৰে।

# সদৌ বংশৰ নাট্য

কৰ্মশালাই উঠি অহা প্ৰজন্মক সঠিক বাটত আগুৱাই নিব আৰু উদ্যোগতা সকল প্ৰশংসাৰ যোগ্য। অনুষ্ঠান টোত কামৰূপ জিলা নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক তথা পুব বংশৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ডঃ ধ্ৰুৱজ্যোতি মালাকৰ, প্ৰদীপ দাস, ধৰ্মেশ্বৰ দাস, খগেন দাস, সুভাষ চন্দ্ৰ বৈশ্য, কৰিঅ’গ্ৰাফাৰ বিশ্বজিৎ বৈশ্য, ধ্ৰুৱজ্যোতি পাঠক, উৎপল বৈশ্যকে ধৰি ভালে সংখ্যাক নাট্যকৰ্মী আৰু প্ৰায় ২০ গৰাকী প্ৰশিক্ষাৰ্থী উপস্থিত থাকে। আৰম্ভণিতে প্ৰতিষ্ঠিত কণ্ঠশিল্পী বংশৰৰ গৌৰৱ কৰিস্মা দাসে এটি ভক্তিমূলক গীত পৰিৱেশন কৰি কৰ্মশালাখন জিপাল কৰি তোলে।

# কামাখ্যা মন্দিৰ চৌহদত

১২/২০২৪ নম্বৰৰ এক ৰাজহুৱা স্বাৰ্থ জড়িত গোচৰৰ ৰায়দান কৰি মা কামাখ্যা মন্দিৰৰ চৌহদত প্ৰস্তাৱিত কৰিড’ৰ নিৰ্মাণৰ ক্ষেত্ৰত অনুমতি প্ৰদান কৰে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই সংবাদ মাধ্যমক জনাই যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি কামাখ্যা মন্দিৰৰ কোনো ক্ষয়-ক্ষতি নোহোৱাকৈ নিৰ্মাণ কৰা হ’ব প্ৰস্তাৱিত কৰিড’ৰ নিৰ্মাণৰ প্ৰকল্প। কৰিড’ৰ নিৰ্মাণৰ ফলত মা কামাখ্যা মন্দিৰ চৌহদৰ কোনো ক্ষতি নহয়। সংবাদ মাধ্যমৰ আগত মহাধিবক্তা দেৱজিৎ লন শইকীয়াই কয়- কামাখ্যা মন্দিৰ প্ৰৱেশ পথেদি মন্দিৰৰ ভিতৰ দিশলৈ ভাল পৰিৱেশৰ মাজেৰে যাব নোৱাৰি। মন্দিৰৰ ভিতৰলৈ ভাল পৰিৱেশৰ মাজেৰে যাবলৈ বা ভক্তসকলে যাতে কোনো অসুবিধা নাপাই তাৰ বাবে কৰিড’ৰ নিৰ্মাণৰ এক প্ৰকল্প লৈছিল ৰাজ্য চৰকাৰে। উচ্চ ন্যায়ালয়ৰ গোচৰটোৰ শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ হৈ আমি কৈছোঁ যে মন্দিৰৰ চৌহদৰ ভিতৰত কৰিড’ৰ নিৰ্মাণত কোনোধৰণৰ অসুবিধা নহয়। কোনো ধৰণৰ কাম-কাজ নহয়। যিখিনি কাম-কাজ হ’ব মন্দিৰ চৌহদৰ যথেষ্ট বাহিৰত হ’ব। কাম-কাজ কৰোঁতে আমি মন্দিৰৰ আণ্ডাৰ গ্ৰাউণ্ডৰ চেনেলত কাম-কাজ নকৰোঁ। কৰিড’ৰ নিৰ্মাণ কামাখ্যাৰ ডাউন হিলত হ’ব। আপ হিলত নহয়। ডাউন হিলৰ ফালে কাম কৰোঁতেও তাতো যিমানখিনি তললৈ যাবলৈ দিছে তালৈকেহে কাম কৰিব পৰা হ’ব। মন্দিৰৰ কোনো ক্ষতি নোহোৱাকৈ কাম কৰিবৰ কাৰণে আমি আদালতত কথা দিছোঁ। আমাৰ বক্তব্য শুনাৰ পিছত আদালতে অসম চৰকাৰৰ কৰিড’ৰ নিৰ্মাণৰ প্ৰকল্পত আগুৱাই নিয়াত বাধা নাই বুলি জনায়।

# জুবিন হত্যাৰ গোচৰৰ বাবে বিশেষ

গ্ৰহণ কৰে। অৱশ্যে চৰকাৰী পক্ষই উক্ত আবেদনকেইখনৰ বিৰোধিতাৰে পুনৰ আদালতত আবেদন কৰে। উল্লেখ্য যে আদালতত গোচৰটোৰ পৰা ৰেহাই বিচাৰি আবেদন দাখিল কৰে শেখৰজ্যোতি গোস্বামীয়ে। আদালতে অহা ১৬ ফেব্ৰুৱাৰীত আটাইকেইখন আবেদন সন্দৰ্ভত ৰায় দিয়াৰ লগতে অভিযুক্তকেইজনক চাৰ্জফ্ৰেম কৰাৰো সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে। ইপিনে শুনানিত অংশ লয় শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰে। শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে পুনৰ দোষীৰ শাস্তি কামনা কৰি কয় যে এটা শেষ উত্তৰ আমি বিচাৰিছোঁ দোষীয়ে শাস্তি পোৱাটো আমি বিচাৰিছোঁ। চৰকাৰলৈ পুনৰ বিশেষ আদালত গঠনৰ দাবী জনাই তেওঁ কয় যে আমি বাৰম্বাৰ বিশেষ আদালত গঠনৰ কথা কৈ আহিছোঁ। জুবিন গাৰ্গৰ গোচৰটো এটা বিশেষ গোচৰ। এই গোচৰটোৰ লগত বিলম্ব হোৱাটো নিবিচাৰোঁ। অসমৰ ৰাইজেও এয়া নিশ্চয়কৈ নিবিচাৰে। বিচাৰ প্ৰক্ৰিয়া নিখুঁত হ’ব লাগিব। ন্যায় প্ৰতিষ্ঠা হ’বই লাগিব। অভিযুক্ত কোনোৱে জামিন কোনো কাৰণতে পাব নালাগে। ভগ্নী পামী বৰঠাকুৰে কয়, নথি-পত্ৰ আদান প্ৰদানৰ বাবে আজিৰ শুনানি গ’ল। সেইখিনিয়ে বৰ দীঘলীয়া কৰিছে। অভিযুক্তৰ অধিবক্তাই প্ৰক্ৰিয়াটো লেহেমীয়া কৰি গৈ আছে। আমি বিচাৰিছোঁ যিমান সোনকালে হ’ব পাৰে ৰায়দান হ’ব লাগে। সেয়েহে আমি বিশেষ আদালতৰ কথা কৈ আছোঁ ।এই লেহেমীয়া প্ৰক্ৰিয়াটো বাদ দিব লাগে ।অভিযুক্তৰ অধিবক্তাই ইচ্ছাকৃতভাৱে লেহেমীয়া কৰি আছে ।ৰায়দান সোনকালে হ’ব লাগে ।আমি বহুত ধৈৰ্যৰে আছোঁ ।এই ধৈৰ্যৰ বেছি পৰীক্ষা নকৰাই ভাল ।ইপিনে শিল্পীগৰাকীৰ দেহৰক্ষীদ্বয় নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্য সন্দৰ্ভতো চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। ২০১৮ চনত জুবিন গাৰ্গৰ পিএছঅ’ হিচাপে নিযুক্তি পোৱা নন্দেশ্বৰ বৰাৰ একাউণ্টত ২০২৫ ৰ ছেপ্টেম্বৰ মাহলৈ জমা হৈছিল ৪৫ লাখ ৩০ হাজাৰ ১৩৩ টকা। উক্ত ধন জমা কৰা কেইজন আছিল সিদ্ধাৰ্থ শৰ্মাৰ ঘনিষ্ঠ। নন্দেশ্বৰ বৰাই এই সমগ্ৰ ধনৰাশি জুবিন গাৰ্গক ওভতাই জিয়া নাছিল। একেদৰে পৰেশ বৈশ্যৰ একাউণ্টত ২০২২ চনৰ জানুৱাৰী মাহৰ পৰা ২০২৫ৰ ৬ ছেপ্টেম্বৰলৈ জমা হৈছিল ৩৬ লাখ ৯৩ হাজাৰ ৩৩৯ টকা। এই সকলো তথ্য আদালতত এছআইটিয়ে ইতিমধ্যে দাখিল কৰিছে।

# অসম বিজ্ঞান সমিতি

সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা পত্ৰ পাঠ কৰে শাখাৰ সভাপতি ড° ৰঞ্জিত সিংহ, টিকেন্দ্ৰজিৎ গগৈ আৰু ড° চুলতানা হাজৰিকাই। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত আজি অনুষ্ঠিত বক্তৃতানুষ্ঠানত বিশিষ্ট বক্তা হিচাপে উপস্থিত থাকি মনোৰোগ বিশেষজ্ঞ ডাঃ প্ৰণীত কুমাৰ চৌধুৰীয়ে কয় যে পাৱাৰ পইণ্ট প্ৰেজেন্টেচনৰ দ্বাৰা নিচাজাতীয় দ্ৰব্যৰ প্ৰকাৰ, শাৰীৰিক তথা মানসিক দিশত এইসমূহৰ ব্যৱহাৰে কৰা অপকাৰিতা, সমাজত পৰা কুপ্ৰভাৱ, সমাজৰ কৰণীয় আদি বিভিন্ন দিশ সামৰি মনোজ্ঞ ভাষণ প্ৰদান কৰে। নিচাজাতীয় দ্ৰব্য সেৱন কৰা ব্যক্তিৰ লক্ষণসমূহ জানিলে পৰিয়ালে সচেতন হ’ব পাৰে ।এনে দ্ৰব্যৰ প্ৰতি আসক্ত কৰিব পৰা পৰিৱেশৰ পৰা নিজ সন্তানক আঁতৰাই ৰাখিব পাৰিব লাগিব। সম্প্ৰতি নৱপ্ৰজন্মই এনে দ্ৰব্যৰ প্ৰতি আসক্ত হৈ পৰিয়াল একোটিক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। সমাজৰ যথেষ্ট কৰণীয় আছে বুলি বক্তা গৰাকীয়ে কোৱাৰ লগতে স্কুল কলেজত পাঠ্য পুথিত মাদক দ্ৰব্য অপকাৰিতা সম্পৰ্কত বিষয় থাকিব লাগে বুলিও তেওঁ কয়। তেখেতে বিভিন্নজনৰ প্ৰশ্নৰ উত্তৰো দিয়ে। ডিব্ৰুগড় শাখাৰ ড° ফৰিদা আহমেদ, অজিত শৰ্মা, টিকেন্দ্ৰজিৎ গগৈয়ে নিজা নিজা অভিমত ব্যক্ত কৰে। কানৈ মহাবিদ্যালয়ৰ বিশেষকৈ ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক -অধ্যাপিকা তথা ছাত্ৰ- ছাত্ৰী সকলৰ অনুষ্ঠানত সক্ৰিয় সহযোগিতা প্ৰশংসনীয় আছিল। বিএল বেৰীয়া আৰু মানকটা হাইস্কুলৰ ছাত্ৰ- ছাত্ৰীসকল অনুষ্ঠানত উপস্থিত আছিল। সমিতিৰ সভানেত্ৰীয়ে তেওঁৰ বক্তব্যত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসত সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক যথাক্ৰমে ভি ডি থাৱানি আৰুপ্ৰসন্ন চন্দ্ৰয় গোস্বামীক সোঁৱৰণ কৰাৰ লগত সমিতিৰ উত্তৰণত কামকৰি যোৱা ব্যক্তিসকলৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰে। ডিব্ৰুগড় শাখাটিৰ তাহানিৰ কাৰ্যকৰ্তা প্ৰয়াত ডিম্বেশ্বৰ চলিহা, ডাঃ তোলন শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলক সোঁৱৰে। সম্বৰ্ধিত ব্যক্তি কেইগৰাকীৰ কৰ্মৰ শলাগ লয়। নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰখাৰ বাবে মানসিকভাৱে শক্তিশালী হোৱাৰ পোষকতা কৰে সভানেত্ৰীয়ে। সভানেত্ৰীয়ে তেওঁৰ বক্তব্যত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসত সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক যথাক্ৰমে ভি ডি থাৱানি আৰু প্ৰসন্ন চন্দ্ৰভগোস্বামীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগত সমিতিৰ উত্তৰণত কাম কৰি যোৱা ব্যক্তিসকলৰ প্ৰতিশ্ৰদ্ধা নিবেদন কৰে। ডিব্ৰুগড় শাখাটিৰ তাহানিৰ কাৰ্যকৰ্তা প্ৰয়াত ডিম্বেশ্বৰ চলিহা, ডাঃ তোলন শইকীয়া প্ৰমুখ্যে ব্যক্তিসকলকো অনুষ্ঠানত সোঁৱৰে। সম্বৰ্ধিত ব্যক্তিকেইগৰাকীৰ কৰ্মৰ শলাগ লয়। নিচাজাতীয় দ্ৰব্যৰ পৰা নিজকে আঁতৰাই ৰখাৰ বাবে মানসিকভাৱে শক্তিশালী হোৱাৰ পোষকতা কৰে সভানেত্ৰীয়ে। সভাত উপস্থিত থকা অন্যান্য বিশিষ্ট ব্যক্তিসকল আছিল সাহিত্যিক, অভিযন্তা ধনীৰাম বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° কমলেশ্বৰ দত্ত, সাংবাদিক এম হাছিম আলি, ৰাজেন দত্ত, ড° জ্যোতিপ্ৰসাদ ফুকন, অনুজ বৰুৱা, বিজয়লক্ষ্মী শৰ্মা গোস্বামী, কানন বৰুৱা, ফাৰহানা ইছলাম আদি।

# পুনৰ বিজেপিৰ চৰকাৰ আহিলে ২ লাখ

সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী মোদীক অসমত বিজেপিৰ চৰকাৰ এখন উপহাৰ দিম। তাৰ বাবে দলৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাই প্ৰধানমন্ত্ৰী মোদীৰ সন্মুখত সংকল্প লৈছোঁ। বহুদিন ধৰি যোৰহাট-ডিব্ৰুগড়ৰ মাজত ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা বেয়া হৈ আছিল। প্ৰধানমন্ত্ৰী মোদী মৰাণলৈ গৈ গাড়ী-মটৰ চলিব পৰা ৰাষ্ট্ৰীয় ঘাইপথটো দিলেই, এৰোপ্লেনো অৱতৰণ কৰিব পৰা ৰাষ্ট্ৰীয় ঘাইপথ আমাক দিলে। শুক্ৰবাৰে কেন্দ্ৰীয় কেবিনেটে গহপুৰ-নুমলীগড়ৰ মাজত ব্ৰহ্মপুত্ৰৰ তলেদি সুৰংগ পথ নিৰ্মাণৰ বাবে ১৮, ০০০ কোটি টকা অনুমোদন কৰিছে। কাজিৰঙাত এলিভেটেড কৰিড'ৰ, বগীবিল দলং, ধলা-শদিয়া দলং, গুৱাহাটী-উত্তৰ গুৱাহাটী দলং, নাৰেংগী-কুৰুৱা দলং, যি অসম আৰু অসমীয়াই জীৱনত কেতিয়াও কল্পনা কৰা নাছিল, প্ৰধানমন্ত্ৰী মোদীয়ে ভাবিব নোৱাৰা ধৰণে হিয়া উজাৰি উপহাৰ দিলে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত আজি আমি প্ৰমাণ কৰিছোঁ অসমৰ বিজয়ত কোনো বাধাৰ প্ৰাচীৰ সন্মুখত থাকিব নোৱাৰে। মই যি কওঁ ভাবি-চিন্তি কওঁ। মইতো বিশ্বাস কৰোঁ অসমত যেতিয়া পুনৰ বিজেপি-এনডিএৰ চৰকাৰ হ'ব, ব্ৰহ্মপুত্ৰৰ ওপৰতো এৰোপ্লেন অৱতৰণ কৰিব। এইবাৰ বিজেপি চৰকাৰৰ দিনত আমি ডেৰ লাখ নিবনুৱাক চাকৰি দিলোঁ, অহাবাৰ ২ লাখ নিবনুৱাক চৰকাৰী চাকৰি দিম। এইবাৰ ডেৰ লাখ বিঘা মাটি আমি উচ্ছেদ কৰিছোঁ, অহাবাৰ ৫ লাখ বিঘা মাটিত উচ্ছেদ চলাম। এইবাৰ আমি ৰ লাখ যুৱক-যুৱতীক মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান আঁচনি দিলোঁ, অহাবাৰ ১০ লাখ যুৱক-যুৱতীয়ে লাভ কৰিব। আমি অসম মাতৃক বিকাশৰ এক নতুন দিগন্তলৈ লৈ যাম। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আৰু কয় যে যোৱা ১০টা বছৰৰ বিৰামহীন প্ৰগতি আৰু বিকাশে আজি অসমক নতুন যুগলৈ লৈ গ'ল। এতিয়া অসমে কাৰো ওচৰত শিৰ নত কৰিব নালাগে, এতিয়া অসমে চৰকাৰী কৰ্মচাৰীক দৰমহা দিবলৈ কাকো টকা বিচাৰিব নালাগে। '২৬ৰ নিৰ্বাচন অসমৰ বাবে জীৱন আৰু মৰণৰ সংকল্প বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমে আজি তীব্ৰগতিত আগবাঢ়ি গৈছে। আমি অসমক থমকি যাব দিব নোৱাৰোঁ। আমাৰ উচ্ছেদ অভিযান থমকি ৰ'ব নোৱাৰে। আমাৰ সিদ্ধান্ত থমকি ৰ'ব নোৱাৰে। অসমৰ বিকাশ আৰু থমকি ৰ'ব নোৱাৰে। আমি অসমক ভাৰতৰ ভিতৰতে এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে ৰূপান্তৰ কৰিব লাগিব। যোৱা ১০টা বছৰত আমি এটা বুনিয়াদ নিৰ্মাণ কৰিলোঁ। এতিয়া সময় অসমক আগুৱাই লৈ যোৱাৰ। এতিয়া সময় অসমক এক নতুন দিগন্তলৈ লৈ যোৱাৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালতে অসমে জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প, নামৰূপত এম'নিয়া-ইউৰিয়া প্ৰকল্প লাভ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা মাৰ্চ মাহত প্ৰধানমন্ত্ৰী মোদী বৰাক উপত্যকালৈ আহিব। প্ৰায় ২২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে শিলচৰৰ পৰা বৰাপানী হৈ গুৱাহাটীলৈ প্ৰস্তাৱিত কামৰ আধাৰশিলা স্থাপন কৰিব। যাৰ ফলত আমি ৫ ঘণ্টাত অহা-যোৱা কৰিব পাৰিম। সেইদৰে পৰৱৰ্তী অসম ভ্ৰমণত প্ৰধানমন্ত্ৰী মোদী কোকৰাঝাৰলৈ গৈ ভূটানৰ গেলেফু সংযোগী ৰে'লপথৰো আধাৰশিলা স্থাপন কৰিব। 'এয়া অসমৰ বাবে স্বৰ্ণিল সময়' বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে আমাৰ দেশৰ ভিতৰতে বিকশিত ৰাজ্য হিচাপে নিৰ্মাণ কৰিবলৈ আমি নিজকে উৎসৰ্গা কৰিম। প্ৰতিটো পল, প্ৰতিটো ক্ষণ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতিগৰাকী কাৰ্যকৰ্তাই নিজকে অসম মাতৃৰ বাবে সমৰ্পণ কৰি ৰাজ্যখনক জগতসভালৈ লৈ যাব।

# মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু পৰিয়ালৰ

পক্ষকে অহা ৯ মাৰ্চত আদালতলৈ তলব কৰি সোঁশৰীৰে হাজিৰ হোৱাৰ নিৰ্দেশ দিছে। উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক তথা এআইচিচিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং আৰু ছত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলসহ প্ৰদেশ কংগ্ৰেছৰ কেইবাজন সাংসদ, বিধায়কে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে নামে-বেনামে ১২ হাজাৰ বিঘা ভূমিৰ গৰাকী হোৱা আৰু দুৰ্নীতিৰে সম্পত্তি গঢ়া বুলি ৰাজীৱ ভৱনত আয়োজিত এক সংবাদ মেলযোগে অভিযোগ আনিছিল। এই সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছ নেতৃত্বই এখন পুস্তিকাও প্ৰকাশ কৰি ৰাজহুৱা কৰিছিল। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ন্যায়ালয়ৰ কাষ চাপে আৰু যোৱা ১০ ফেব্ৰুৱাৰীত ৫০০ কোটি টকাৰ এটা মানহানি গোচৰ তৰে। কামৰূপ (মহানগৰ) জিলা দেৱানী আদালতত ৰুজু হোৱা গোচৰৰ আধাৰত ন্যায়াধীশ নয়ন জে শৰ্মাই এই নিৰ্দেশনা প্ৰদান কৰে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই এক সংবাদ মেল সম্বোধন কৰি কয়- কংগ্ৰেছ দলে ক'ৰ পৰা কেনেকৈ মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ ১২ হাজাৰ বিঘা মাটি থকাৰ তথ্য পালে, মুখ্যমন্ত্ৰীয়ে এই তথ্য ভুল আৰু মনে সজা বুলি আদালতত জনাইছে। মুখ্যমন্ত্ৰীৰ যদি ক'ৰবাত নামে-বেনামে সম্পত্তি আছে তেন্তে কংগ্ৰেছ দলে তথ্য-প্ৰমাণসহ দেখুৱাব লাগে। সেইকাৰণে মুখ্যমন্ত্ৰীয়ে এক প্ৰত্যাহ্বান দিছে যে গৌৰৱ গগৈ, জিতেন্দ্ৰ সিং, ভূপেশ বাঘেলকে ধৰি যিসকল ব্যক্তিয়ে এই বিষয়ত কৈছে সেইসকলে আদালতত সেই কথাটো প্ৰমাণ কৰিব লাগে। ৰাজ্য চৰকাৰৰ মহাধিবক্তাগৰাকীয়ে আৰু কয়- আদালতত যি মানহানি গোচৰ দাখিল কৰিছে তাত কংগ্ৰেছ দলৰ বিষয়টো দাঙি ধৰা ব্যক্তিসকল আছে, বাতৰিকাকতৰ প্ৰতিনিধি আছে। তেওঁলোকে অৰ্থাৎ অভিযুক্তসকলে যিখিনি কথা প্ৰেছ কনফাৰেঞ্চত কৈছে, যিখিনি কথা বাতৰিকাকতত প্ৰকাশ হৈছে সেইখিনি সত্যৰ ভিত্তিত হয় নে সম্পূৰ্ণ মনেসজা হয়, সেইটো তেওঁলোকক প্ৰমাণ কৰিবলৈ আহ্বান জনাইছে। যদি প্ৰমাণ কৰিব নোৱাৰে তেন্তে মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ পৰা ৫০০ কোটি টকাৰ মানহানিৰ ক্ষতিপূৰণ দাবী কৰিছে। মহাধিবক্তা দেৱজিৎ লন শইকীয়াই লগতে কয়, 'মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এই গোচৰটোৰ শুনানি হোৱাৰ পিছত বুধবাৰে চিভিল জাজ ছিনিয়ৰ ডিভিজন ৰান-সন্মানীয় জাষ্টিচ নয়ন জে শৰ্মাই গোটেই কথাখিনি চাই কাগজ-পত্ৰখিনি পৰীক্ষা কৰিলে। পৰীক্ষা কৰি তেওঁ এটা ষ্টে অৰ্ডাৰ পাছ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কথাখিনিত প্ৰাথমিক যুক্তিযুক্ততা দেখি এটা স্থগিতাদেশ জাৰি কৰিছে যে উল্লিখিত ব্যক্তিসকলে আজিৰ পিছত তেনেকুৱা ধৰণৰ কথা নকয়।' ইয়াৰ উপৰি ৰাজ্যৰ এখন আগশাৰীৰ বাতৰিকাকতৰ স্বত্বাধিকাৰী আৰু প্ৰকাশক, সম্পাদককো ন্যায়ালয়ে তলব কৰি মুখ্যমন্ত্ৰীৰ সম্পত্তি বিষয়ক বাতৰি পৰিৱেশন কৰাত বাধা আৰোপ কৰি আদালতত উপস্থিত হোৱাৰ নিৰ্দেশনা জাৰি কৰিছে একেটা ৰায়তে। এই প্ৰসংগত দেৱজিৎ লন শইকীয়াই কয়- কাকতখনকো বাধা-নিষেধ জাৰি কৰিছে যে ৫ ফেব্ৰুৱাৰীত যিটো বিষয়ত বাতৰি কৰিছিল আগন্তুক দিনত এই বিষয়কেইটাত ৯ মাৰ্চত আদালতত উপস্থিত নোহোৱালৈকে কোনো বাতৰি কৰিব নোৱাৰিব। অহা ৯ মাৰ্চত গৌৰৱ গগৈ, জিতেন্দ্ৰ সিং আৰু ভূপেশ বাঘেল ডাঙৰীয়াক আদালতলৈ তলব কৰিছে। আদালতে তেওঁলোকক ন'টিচ জাৰি কৰিছে।

# ১৮, ৬৬২ কোটিটকীয়া

নুমলীগড়ৰ ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু গহপুৰৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজৰ দূৰত্ব ২৪০ কিলোমিটাৰ। শিলঘাটৰ ওচৰত ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ বৰ্তমানৰ কলীয়াভোমোৰা ৰোড ব্ৰিজেদি নুমলীগড়ৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান হৈ বিশ্বনাথ চহৰ পাবলৈ ৬ ঘণ্টা সময় লাগে। এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ প্ৰকল্পটোক গহপুৰৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড়লৈ ব্ৰহ্মপুত্ৰ নদীৰ তলেদি ৪ লেনৰ প্ৰৱেশ নিয়ন্ত্ৰিত গ্ৰীনফিল্ড যোগাযোগ ব্যৱস্থা হিচাপে তথা পথ আৰু ৰে'ল সুৰংগৰ সৈতে বিকশিত কৰাৰ প্ৰস্তাৱ জনোৱা হৈছে। মুঠ ৩৩.৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰকল্পটো ভাৰতৰ প্ৰথম আণ্ডাৰৱাটাৰ ৰোড তথা ৰে'ল টানেল আৰু বিশ্বৰ দ্বিতীয়টো হ'ব। এই প্ৰকল্পই অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যকেইখনক যথেষ্ট উপকৃত কৰিব। ইয়াৰ ফলশ্ৰুতিত মালবাহী পৰিবহণৰ ফলপ্ৰসূতা বৃদ্ধি, লজিষ্টিক ব্যয় হ্ৰাস পাব আৰু অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশৰ সূচনা হ'ব। এই প্ৰকল্প ইয়াৰ দুয়ো প্ৰান্তত ২টা প্ৰধান ৰাষ্ট্ৰীয় ঘাইপথ (ৰাষ্ট্ৰীয় ঘাইপথ-১৫ আৰু ৰাষ্ট্ৰীয় ঘাইপথ-৭১৫) আৰু ২টা ৰে'লপথ ক্ৰমে গহপুৰৰ ফালে এনএফআৰৰ ৰঙিয়া সংমণ্ডলৰ অন্তৰ্গত ৰঙিয়া-মুৰ্কংচেলেক ৰে'লৰে অংশ আৰু নুমলীগড়ৰ ফালে এনএফআৰৰ তিনিচুকীয়া সংমণ্ডলৰ অন্তৰ্গত ফৰকাটিং-মৰিয়নি লুপ লাইন অংশৰ সৈতে একত্ৰিত হৈছে। প্ৰকল্পটোৱে সমগ্ৰ অসমৰ মূল মূল অৰ্থনৈতিক, সামাজিক আৰু লজিষ্টিক কেন্দ্ৰসমূহলৈ নিৰৱচ্ছিন্ন যোগাযোগ ব্যৱস্থা প্ৰশস্ত কৰিব। ইয়াৰ উপৰি প্ৰকল্পটোৱে ১১টা অৰ্থনৈতিক কেন্দ্ৰ, ৩টা সামাজিক কেন্দ্ৰ, ২টা পৰ্যটন কেন্দ্ৰ আৰু ৮টা লজিষ্টিক কেন্দ্ৰক সংযোগ কৰি মাল্টি মডেল সংহতিৰ বৰ্ধন ঘটাব।। একেদৰে ৪টা মূল ৰে'ল ষ্টেচন, দুটা বিমানবন্দৰ আৰু দুটা আভ্যন্তৰীণ জলপথৰ। সৈতে বৰ্ধিত যোগাযোগ ব্যৱস্থা প্ৰশস্ত কৰাৰ ফলশ্ৰুতিত সমগ্ৰ অঞ্চলটোত সামগ্ৰী আৰু যাত্ৰীসকলৰ দ্ৰুত সৰবৰাহ যাতায়াতৰ সুবিধা হ'ব। সম্পূৰ্ণ হোৱাৰ পিছত প্ৰকল্পটোৱে কৌশলগত বিবেচনা, আঞ্চলিক অৰ্থনৈতিক বিকাশ, প্ৰধান অৰ্থনৈতিক কেন্দ্ৰসমূহৰ মাজত যোগাযোগ সম্প্ৰসাৰিত কৰা আৰু বাণিজ্য তথা ঔদ্যোগিক উন্নয়নৰ বাবে নতুন পথ মুকলি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

# ওদালগুৰিত বিটিচিৰ মিনি

কৰা হ'ব। প্ৰকল্পটোত অতিথিশালা, বিষয়া-কৰ্মচাৰীৰ আৱাস, চৌহদৰ ভিতৰৰ ৰাস্তা-ঘাট, পাৰ্কিং এলেকা, চৌহদৰ দেৱাল আদি। ৬৩.৪৫ কোটি টকা ব্যয়ৰে ওদালগুৰিৰ গোলমা চ'কৰ পৰা মিছন চাৰিআলি পথত থকা ৰে'লৰে গেটত ৰে'লৰে উৰণ সেতুখন নিৰ্মাণ কৰা হ'ব। সেতুখন নিৰ্মাণৰ শিলান্যাস কৰাৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই উপস্থিত সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে সেতুখনৰ তলভাগত বেডমিন্টন খেলৰ সুবিধা সন্নিৱিষ্ট কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়া হৈছে। আনহাতে টংলা সমষ্টিত মুঠ ২৬, ৯৮৮ গৰাকী হিতাধিকাৰীয়ে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অন্তৰ্গত ১০ হাজাৰ টকাকৈ আজি বীজ মূলধনৰ চেক লাভ কৰে। ইয়াকে ধৰি আঁচনিখনৰ জৰিয়তে ১১৪টা বিধানসভা সমষ্টিৰ ২৮, ৪৪, ৮৪৫ গৰাকী মহিলালৈ উদ্যমিতা পুঁজি বিতৰণ কৰা হ'ল। ৩৬ কোটি টকা প্ৰকল্প ব্যয়েৰে নিৰ্মাণ কৰা টংলা নগৰ পানী যোগান প্ৰকল্পৰ জৰিয়তে ৩, ৮৬৫টা পৰিয়ালৰ বাবে নল সংযোগ দিয়া হৈছে। বিটিচিৰ মিনি সচিবালয়ৰ শিলান্যাস কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ডিব্ৰুগড়ক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে চহৰখনত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ, মুখ্যমন্ত্ৰীৰ সচিবালয় আদি স্থাপন কৰিছে। শিলচৰতো আন এটা সচিবালয় নিৰ্মাণ কৰা হৈছে। নিৰ্বাচনৰ সময়ত বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীয়ে ওদালগুৰিত মিনি সচিবালয় স্থাপনৰ প্ৰতিশ্ৰুতি দিছিল। ওদালগুৰিত যিহেতু বিটিচিৰ বিধানসভা ভৱনো নিৰ্মাণ হ'ব, গতিকে কোকৰাঝাৰৰ পিছত ওদালগুৰি বিটিচিৰ দ্বিতীয় ৰাজধানী সদৃশ হৈ পৰিব। প্ৰকল্পটো যাতে দু বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠে তাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ তেওঁ আশ্বাস দিয়ে। তেওঁ বিকাশৰ জৰিয়তে বড়োলেণ্ড তথা অসমৰ উন্নয়নৰ বাবে কাম কৰি যাব বুলিও মন্তব্য কৰে। আনহাতে ১৮ মাহৰ ভিতৰত ৰে'লৰে উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, পৰিবহণ মন্ত্ৰী চৰণ বড়ো, বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰী, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰী, বিটিচিৰ অধ্যক্ষ ত্ৰিদীব দৈমাৰী, বিটিচিৰ কেই বাগৰাকী কাৰ্য বাহী সদস্য, জিলা আয়ুক্ত তথা গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Karnajit Ningthoujam, Talikaba Longkumer and Papu Medhi Crowned 15th Gatsby Mega Mister North East 2026





Guwahati; RB News: In a grand showcase of confidence, charisma, and contemporary masculinity, Karnajit Ningthoujam from Manipur, Talikaba Longkumer from Nagaland, and Papu Medhi from Assam were crowned winners of the 15th Gatsby Mega Mister North East 2026 at a high-energy Grand Finale held in Guwahati. Upholding the pageant's distinctive format, the three winners will share equal honours and responsibilities as titleholders. The 15th edition followed an extensive audition process conducted across eight Northeastern states, both on-ground and online, drawing participation from hundreds of aspiring contestants. After multiple screening rounds, the shortlisted finalists underwent an intensive grooming and mentoring programme in Guwahati before competing in the Grand Finale, where they were evaluated on personality, fitness, intelligence, stage presence, and overall confidence. Conceptualised by fashion entrepreneur Abhijeet Singha, the pageant is produced by Mega Entertainment and marketed by Mega Activation, continuing its established vision of identifying and grooming male talent from the Northeast and "Taking India to the World Stage." Congratulating the winners, Abhijeet Singha said, "Fifteen years of Gatsby Mega Mister North East reflects the evolution of male pageantry in the region. What began as a regional platform has grown into a credible gateway to national and international arenas. Karnajit, Talikaba, and Papu embody discipline, character, and global ambition. I am confident that they will carry forward the legacy of representing the Northeast with pride on larger platforms."

## Riyan Parag named Rajasthan Royals captain



RB News: All-rounder Riyan Parag has been named as the new captain of Rajasthan Royals (RR). He replaces Sanju Samson, who was traded to CSK ahead of IPL 2026 season. Parag, who had earlier taken on the responsibilities of vice-captain and stand-in skipper during IPL 2025, assumes the top role after what the franchise termed a "considered and structured process" conducted over the two months following the IPL auction. Parag was bought by RR for 20 lakh in the third and final round of the player auction before IPL 2019. He has scored 1,566 runs in 84 IPL matches.

## Oman become first team to be knocked out of T20 World Cup 2026



RB News: Ireland defeated Oman by 96 runs in their T20 World Cup 2026 Group B match on Saturday in Colombo. With this loss, Oman became the first team to be knocked out of the tournament after losing three consecutive matches. Ireland posted 235/5 in 20 overs, highest total of T20 World Cup 2026, and restricted Oman to 139 in 18 overs.

## India beat Namibia by 93 runs



RB News: India defeated Namibia by 93 runs in their group-stage match of the T20 World Cup in New Delhi on Thursday, registering their second consecutive win in the tournament. It's India's biggest win (by runs) in T20 World Cup history. Asked to bat first, India posted 209 for nine in 20 overs, powered by half-centuries from Ishan Kishan and Hardik Pandya. In reply, Namibia were bowled out for 116 in 18.2 overs. Varun Chakravarthy returned figures of 3 for 7 in two overs.

## USA defeated Netherlands by 93 runs



RB News: USA defeated Netherlands by 93 runs in the Group A clash at MA Chidambaram Stadium in Chennai on Friday. It is the biggest win (by runs) by an Associate team in T20 World Cup history. After being invited to bat first, USA scored 196 for 6 in the stipulated 20 overs, with Saiteja Mukkamalla scoring highest 79 runs. In reply, Netherlands were bundled out for just 103 runs in the 16th over. For USA, Harmeet Singh bagged 4 wickets and he was also adjudged Player of the Match.USA secure their first win after two defeats in the T20 World Cup.

## Sri Lanka beat Oman by 105 runs



RB News: Sri Lanka secured a 105-run win over Oman in T20 World Cup match at Pallekele Stadium on Thursday. Sri Lanka posted 225-5 despite losing two wickets in powerplay, powered by Pavan Rathnayake's 60 off 28 and captain Dasun Shanaka's 50 off 20. In reply, Oman could manage only 120 for 9, with Mohammad Nadeem emerging as the lone bright spot, remaining unbeaten on 53. Sri Lanka's Maheesh Theekshana recorded figures of 2-11 in four overs, helping restrict Oman to 120-9.

## Italy record their 1st ever win in T20 World Cup history



RB News: Italy dominated with bat and ball and cruised to their first-ever win in the T20 World Cup. Italy on Thursday recorded their first-ever victory in T20 World Cup history, defeating Nepal by 10 wickets at the Wankhede Stadium in Mumbai. Playing their second T20 World Cup match, Italy dismissed Nepal for 123 runs and chased down the target in 12.4 overs. Italy openers Anthony Mosca and Justin Mosca, who are brothers, slammed unbeaten fifties.

# শিৱ আৰু শিৱৰাত্ৰি

থাকি ব্ৰত পালন কৰি নীলকণ্ঠ প্ৰভু ভোলানাথক স্মৰণ কৰে। ১২ টা জ্যোতিৰ্লিঙ্গৰ অৱস্থিতি-------

(১) সোমানাথ/গিৰ সোমনাথ, গুজৰাট
(২) মল্লিকাৰ্জুনা/ শ্ৰীশৈলম, অন্ধ্ৰপ্ৰদেশ
(৩) মহাকালেশ্বৰ/উজ্জৈন, মধ্যপ্ৰদেশ
(৪) ঔমকাৰেশ্বৰ/খাণ্ডুৱা, মধ্যপ্ৰদেশ
(৫) কেদাৰনাথ/ৰুদ্ৰপ্ৰয়াগ, উত্তৰাখণ্ড
(৬) ভীমাশঙ্গৰ/পুণে, মহাৰাষ্ট্ৰ
(৭) বিশ্বেশ্বৰ/ বাৰানসী, উত্তৰ প্ৰদেশ
(৮) ত্ৰয়ম্বকেশ্বৰ/নাচিক, মহাৰাষ্ট্ৰ
(৯) বৈদ্যনাথ/দেউঘৰ, ঝাৰখণ্ড
(১০) নাগেশ্বৰ/দ্বাৰকা, গুজৰাট
(১১) ৰামেশ্বৰ/ৰামেশ্বৰম, তামিল নাডু
(১২) গ্ৰিশনেশ্বৰ/ঔৰংগাবাদ, মহাৰাষ্ট্ৰ

সকলোৰে ওপৰত ভোলানাথৰ কৃপাদৃষ্টি অটুট থাকক।

# শিৱৰাত্ৰিতেই ভেলেন্টাইন

ৰোমান সামৰাজ্যৰ ছেইন্ট ভেলেন্টাইন নামে এগৰাকী প্ৰেমৰ সাম্ৰাজ্য গঢ়া পাদুৰীয়ে প্ৰেমৰ কলিৰে সকলোৰে অন্তৰ জয় কৰিছিল সেই সময়ত মুমুৰ্খ অবস্থাত থকা ৰোগী সকলো ছেইন্ট ভেলেন্টাইনৰ প্ৰেমৰ বাণীবোৰ শুনি সুস্থ হৈছিল। ছেইন্ট ভেলেন্টাইনৰ প্ৰেমৰ আগত ৰোগ মুক্ত হোৱা আৰু সংগোপনে সৈনিক সকলৰ বিবাহ কাৰ্য সম্পন্ন কৰা কথাটো সম্ৰাটে জনাৰ পিছত ছেইণ্ট ভেলেন্টাইনক কাৰাগাৰত বন্ধি কৰি ৰাখিছিল কিন্তু কাৰাগাৰৰ ভিতৰত থকাৰ পিছতো ৰোগাক্ৰান্ত কয়েদি সকলকো ঈশ্বৰ প্ৰদত্ব প্ৰেমভৰা বাণীৰে ৰোগ মুক্ত কৰিছিল। সেই সময়তে কাৰাগাৰৰ ভিতৰত জেইলাৰ জনৰ অন্ধ ছোৱালী জনীকো ভেলেন্টাইনৰ প্ৰেমৰ বাণীয়ে চকুলৈ পোহৰ ঘূৰাই আনিছিল এয়াই আছিল প্ৰেমৰ নিৰ্দশন।

বিশ্বব্ৰহ্মাণ্ডত প্ৰেমেৰে জগত জিনাৰ এয়া উৎকৃষ্ট নিদৰ্শন প্ৰেমেৰে জগত জিনিব পাৰি সেয়ে হয়তো শিৱ- পাৰ্বতীৰ গভীৰ প্ৰেমে বিশ্বৰ প্ৰত্যেক গৰাকী লোককে আকৰ্ষিত কৰাৰ লগতে ছেইণ্ট ভেলেন্টাইনেও বিশ্বত অফুৰন্ত প্ৰেম বিলাই প্ৰেমৰ প্ৰতিক হিচাপে চিহ্নিত হৈছে।







ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# নৱ প্ৰজন্মক পাশ্চাত্যৰ দিৱসবোৰে পাহৰণিৰ গৰ্ভত বিলীন নকৰক অসমীয়াৰ অস্তিত্বৰ দিৱসবোৰক.....



মঞ্জু কাকতি, শুৱালকুছি

ৰ'জ দে, প্ৰপজ দে আৰু ভেলেন্টাইন দে হৈছে প্ৰেম আৰু মূল্যবোধৰ দিৱস। পশ্চিমীয়া সংস্কৃতিৰ আধাৰ এই দিৱসবোৰ প্ৰেমৰ সংজ্ঞা দিয়াটো ইমান সহজ নহয়। প্ৰেমক লৈয়ে প্ৰতিজন মানুহে জীয়াই আছে। ৰ'জ দে হৈছে ফুলৰ ৰাণী গোলাপৰ সৌন্দৰ্য্যক মৰ্য্যদা দিয়া। এই দিৱসত প্ৰত্যেক শুভাকাংক্ষীকে পৰস্পৰে পৰস্পৰক ভালপোৱা বা প্ৰেমৰ মৰ্য্যদাস্বৰূপে এপাহ গোলাপ উপহাৰ দিয়ে।

ঠিক তেনেকৈপ্ৰপজ দে হৈছে কাৰোবাক অন্তঃ কৰণেৰে ভাল লগা আৰু আজীৱন লগৰী হোৱাৰ আৱেদন। ভেলেন্টাইন হৈছে প্ৰেমৰ দিন। হৃদয়ৰ পৰা হৃদয়লৈ বৈ পৰা মৰম, স্নেহ আৰু বিশ্বাসৰ পৰিচয়বাহক এটা সুঁতি। প্ৰেম মানেই জীয়াই থকা উশাহৰ এক প্ৰেৰণা। প্ৰেম মানেই সৃষ্টিশীলতাৰ কঠীয়াতলী। প্ৰেম জনমে জনমে সৰ্বজনৰ বাবে সৰ্বকালৰ বাবে। ইতিহাসে তাকে ৰিজিয়াই। প্ৰেমৰ স্বহীদ ভেলেন্টাইনৰ মতে - প্ৰেম মৃত্যুহীন। ইয়াৰ গভীৰতালৈ যিমানে সোমোৱা যায় সিমানেই দৃঢ় হয় আৰু নিঃশেষ কৰাৰ পথ অৱৰোধ হৈ যায়। প্ৰেমেৰেহে প্ৰেমক জয় কৰিব পাৰি। ভালপোৱাক ভালপোৱাৰেহে ভোগাব পাৰি।

এতিয়া কথা হ'ল এই দিৱসবোৰ পাশ্চাত্য সংস্কৃতিৰ পৰা অহা যদিও ইয়াত প্ৰেম সন্নিৱিষ্ট হৈ আছে, প্ৰেমক আঁকোৱালি লোৱাটো একো ডাঙৰ কথা নহয় কিন্তু নিজৰ জাতীয় সত্বাক পাহৰি নহয়। "যি জাতিৰ সংস্কৃতি নাই, সেই জাতিৰ অস্তিত্ব নাই।" গতিকে সদায় আমাৰ সত্বাক জীয়াই ৰাখিব লাগিব সকলোৱে জ্ঞান লৈ আগশাৰীৰ স্থানত ৰাখি।

বৰ্তমান নৱ প্ৰজন্মৰ পাশ্চাত্য দিৱসবোৰৰ প্ৰতি বেছি আকৃষ্ট হোৱা দেখা গৈছে। ফলত বজৰুৱা সংস্কৃতিৰ পূজাৰী হৈ পৰিছে এওঁলোক। লোপ পাইছে এওঁলোকৰ নৈতিক আৰু বৌদ্ধিক চেতনা। মুঠতে এক উশৃংখল জীৱন যাপন কৰিছে এওঁলোকে লগতে আগবাঢ়িছে সমাজখনক পঙ্গু আৰু কলুষিত কৰিবলৈ। অসমীয়াৰ সংস্কৃতি যিসকলে উচ্চশিখৰত ৰাখি গৈছে তেওঁলোকৰ বিষয়ে যেনে - শিল্পী দিৱস, ৰাভা দিৱসৰ লগতে অন্যান্য দিৱসৰ বিষয়ে জ্ঞাত নহয়। প্ৰথমতে আমাৰ প্ৰজন্মই বুজি উঠিব লাগিব যে আমি অসমীয়া আৰু অসমীয়া হিচাপে আমাৰ সংস্কৃতি আৰু আমাৰ জাতিটোক মজবুত কৰি যোৱা শিপা সদৃশ সকলৰ বিষয়ে জানিব লাগিব, শ্ৰদ্ধা আৰু সন্মান কৰিব লাগিব।

সকলো দেশ, সকলো জাতি, সকলো সমাজৰ সংস্কৃতিয়ে নিজৰ নিজৰ মানদণ্ড, বিবেচনাৰ শিখৰত গতিকে আমি অসমীয়া হিচাপে এজন অনা অসমীয়া শিল্পী, সাহিত্যিক জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সৃষ্টিশীলতাৰ অৱদান আৰু তাৰ কৃতজ্ঞতাৰ স্বৰূপ 'শিল্পী দিৱস' ৰ লগতে মহান শিল্পী, সাহিত্যিক সকলৰ প্ৰতি নৱ প্ৰজন্মক জ্ঞাত কৰি শ্ৰদ্ধাশীল কৰি তুলিব লাগিব আমাৰ জ্যেষ্ঠসকলৰ লগতে অভিভাৱক তথা শিক্ষকসকল ।


ঠিক তেনেকৈ 'ৰাভা দিৱস' বিষ্ণুপ্ৰসাদ ৰাভাক সুঁৱৰি পালন কৰা এটা দিন। যিগৰাকীয়ে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি গৈছে জাতিটোক মজবুত কৰি গৌৰাবান্বিত কৰি গৈছে। গতিকে এখেতসকল আমাৰ বটবৃক্ষৰ ঘাই শিপা। শিপাৰ অবিহনে যেনেকৈ গছ এডাল জীয়াই থাকি ফল-ফুল দিব নোৱাৰে তেনেকৈ অগ্ৰজ সকলৰ বিষয়ে নাজানিলে আমাৰ সংস্কৃতিৰ ভেটি দৃহ কৰি গঢ়ি তুলিব নোৱাৰি।

'আধুনিক' শব্দটো কলাগতভাৱে পৰিৱৰ্তনশীল অৰ্থৰ দ্যোত্বক। সময়ৰ লগত খোজ মিলাবলৈ আধুনিকতা আমাক লাগে কিন্তু আধুনিকতাৰ লগতে আমাক নন্দনতাত্বিক চেতনাও লাগে।

'সুন্দৰৰ আৰধনাই জীৱনৰ খেল' বুলি আমাৰ অগ্ৰজ সকলে কৈ যোৱা কথাশাৰীৰ তাৎপৰ্য এয়ে যে -সৌন্দৰ্য পিপাসী মানৱ মন হ'ল নিচাসক্ত আনন্দৰ পিচত লৰি -ঢাপৰি ফুৰা এক চিন্ময় শক্তি। সৌন্দৰ্যৰ জগতখন এক বৈচিত্ৰপূৰ্ণ জগত আৰু যি শাস্ত্ৰই এই বৈচিত্ৰপূৰ্ণ জগতখনৰ বিষয়ে আলোচনা-বিলোচনা কৰিবলৈ আগবাঢ়ে সেয়ে নন্দনতাত্বিক বিচাৰ বুলিব পাৰি। স্থাপত্য বিদ্যা, ভাস্কৰ্য, চিত্ৰশিল্প, সংগীত, সাহিত্য, নৃত্য প্ৰভৃতি সুকুমাৰ কলাসমূহৰ লগতে সংস্কৃতিৰ ভঁৰাল চহকী কৰি যোৱা মহান তথা বিদগ্ধ ব্যক্তিসকলৰ আলোচনা নন্দনতাত্বিক আলোচনাৰ অন্তৰ্গত।

আধুনিক সংস্কৃতিৰ মাৰক্সীয় ব্যাখ্যা হৈছে এই সংস্কৃতিত প্ৰযুক্তি বিদ্যা আৰু শিল্প বিপ্লৱে মানুহৰ ক্ষমতাৰ পৰা জ্ঞান আৰু চেতনাক পৃথক কৰি পেলাইছে। জ্ঞান আৰু চেতনাক পৃথক কৰি ঘাই শিপাক পাহৰি এখন সুন্দৰ সমাজ গঢ়াটো সম্ভৱ নহয় গতিকে জ্যেষ্ঠসকল, অভিভাৱকসকল, শিক্ষকসকল তাৰোপৰি অগ্ৰজসকলে এক নন্দনতাত্বিক চেতনা নৱ প্ৰজন্মৰ মাজত পৰিচয় কৰাই জাগ্ৰত কৰি তোলাটো দায়িত্ব লগতে এয়াই বিশেষভাৱে কৰণীয়। এনে কৰিলেহে আমি আমাৰ পৰিচয়ক লগতে শিপাক মজবুত কৰিব পাৰিম।

# Growing waste problems in Guwahati



Udayan Chetia ,Dhemaji

Guwahati is having a big problem with garbage. Everyday, the city makes many tonnes of waste, but a lot of it is not managed properly. In most of the places of Guwahati, wastes is found in the drains, which blocks the water and causes floods during rainy days.

Areas like Fancy Bazar, Beltola, Bhangagarh and many more have wastes lying on the roadsides. This waste includes plastic, food wastes and even medical items. People also spit on the roads, which makes the city dirty.

Garbage is also seen in Deepor Beel, a protected bird sanctuary. Dirty and toxic waste is going into the water and harming birds and fish that live there.

The Guwahati Municipal Corporation (GMC) is trying to fix the problem. Garbage vehicles are sent to collect waste from roads and buildings. Dustbins are placed nearby roads, buildings and apartments to dispose of waste properly.

# ছদ্মবেশী



মুন শৰ্মা, লখিমপুৰ

এদিন দুদিন বহু দিন,
মোৰ জীৱন বাটত,
মোৰ মন কাৰেংত জোনাকী হৈ উমলা,
অনন্ত হেপাহ আনবিল আনন্দৰ
এপাহ খিৰিকাজাই,
পুৱাতে আৰম্ভ দুপৰ নিশাত সমাপ্ত
তথাপি আধৰুৱা তৃষ্ণা সানিধ্যৰ
হিয়াৰ ফুলনি খনৰ এজনী ৰঙীল পখিলা।
জীৱন ডায়েৰীৰ এখিলা সোণালী পাত,
অনুভৱ এতিয়া...
শান্ত হৃদয়াৰণ্যৰ অশান্ত ছদ্মবেশী তেজপিয়া,
বিষাদৰ হাতোৰাত বন্দী হিয়া,
দুখৰ বন্ধকত মোৰ প্ৰতিদিন,
আলফুলীয়া মৰম নিক্ষেপ ডাষ্টবিনত,
প্ৰতাৰণাৰ বজাৰত মোৰ হৃদয় বেচা,
প্ৰতিশ্ৰুতিৰ এজনী মিছা ভাৱৰীয়া,
সঁচা মৰমৰ প্ৰতিদান অনাদৰৰ।
মুখা মুখা এখনি মুখাৰ প্ৰলেপত আৱদ্ধ,
মিছা মিছা সকলো মিছা
প্ৰলোভনৰ এখনি জাল প্ৰেমৰ নামত,
বিশ্বাসঘাতকতাৰ নিপুণ যোদ্ধা।
বুজি পালোঁ নিসন্দেহ ই মাথোঁ ছদ্মবেশ।